



# ষ্টিকাৰ লগা গছ গজা ঠাই

सत्यमेव जयते

UNEP

जहाँ है हरियाली।
वहाँ है खुशहाली।।

gef

National Biodiversity Authority, India

জৈৱবৈচিত্ৰ্য সম্পৰ্কে তথ্য সৰবৰাহ কৰিবলৈ
ৰাষ্ট্ৰীয় জৈৱবৈচিত্ৰ্য কৰ্তৃপক্ষ, চেন্নাইৰ এক বিনম্ৰ প্ৰচেষ্টা

অসম ৰাজ্যিক জৈৱ-বৈচিত্ৰ্য পৰিষদ
ASSAM STATE BIO-DIVERSITY BOARD

**The Land Where The Sticker Tree Grows**

© National Biodiversity Authority of India, 2014
All rights reserved.

Author : Malvika Tewari
Illustrator : Malvika Tewari
Edited by : Debjani Banerjee and Deepta Sateesh
Design and housed at : Law + Environment + Design Laboratory
at Srishti School of Art, Design and Technology

Translated into Assamese with permission & financial support
from the National Biodiversity Authority

Translated by : Dr. Mrinal Jyoti Goswami

Reprinted by:
"Him-Nature Learning Centre, Assam"
Under the National Mission on Himalayan Studies

Printed by : F.M. Printers
H.No. 35, 1st Floor, Near Canara Bank
Panjabari Road, Sixmile, Guwahati-22

## *Foreward...*

Our earth is rich in species diversity and each species is interdependent on one another. This interdependence helps in maintaining the balance in our ecosystem. Any sort of change in this equilibrium due to extinction of species will lead to disruption of the whole system and each component (living or non-living) will be affected.

At present, due to change our indigenous floral and faunal species have become very vulnerable making them sensitive to invasion and extinction. But since climate change is inevitable, we need to adapt to the changes and mitigate its possible undesirable effects. Therefore, to conserve our biodiversity we need to understand the threats each species is facing.

The story in this book an attempt to grab the reader's attention towards the threats faced by the wildlife around us and how vulnerable they are. To spread awareness regarding biodiversity conservation, Nature Learning Centre, Assam has Printed Assamese edition of this book.

Hope everybody will enjoy reading this book!

**K.S.P.V. Pavan Kumar**
Project-in-charge, NLC-Assam
Member Secretary-ASBB



# বিষয়সূচী


কিতাপখনৰ বিষয়ে চমুকৈ

ষ্টিকাৰ লগা গছৰ সন্ধানত

উন্নতিৰ শিখৰত

পক্ষপাতদুষ্টতা

এসময়ৰ এখন পাম

গুপ্তধনৰ শেষ পৰিণতি

লেভুৱাই বিচাৰি পালে সেই গছ

কৃতজ্ঞতা

এ. বি. এ.ৰ বিষয়ে

অসম ৰাজ্যিক জৈৱবৈচিত্ৰ্য পৰিষদ

এই প্ৰকল্পৰ বিষয়ে কিছু কথা

# কিতাপখনৰ বিষয়ে চমুকৈ....

নগৰীকৰণৰ বিকাশৰ লগে লগে আমি প্ৰতিদিনে, প্ৰতি মুহূৰ্ততে নতুন নতুন ধৰণৰ পৰিৱেশৰ সৃষ্টি কৰিছোঁ। বহুসময়ত জৈৱবৈচিত্ৰ্যৰ আন আন প্ৰজাতিসমূহে এই বিকাশৰ লগত সমানে খোজ মিলাব পৰা নাই। এটা কথা আমি সকলোৱে মনত ৰখা উচিত যে, মানৱ সমাজে কিন্তু ইয়াত বাস কৰা আন আন প্ৰজাতিবোৰৰ পৰা পৃথকে থাকি কেতিয়াও বাচি থাকিব নোৱাৰে। এক কথাত ক'ব পাৰি- মানুহে কেতিয়াও ৰিপভ্যান উইংকোল হৈ জীয়াই থাকিব নোৱাৰে। আমি সকলোৱে নিজকে একোজন ভাগ্যৱান ব্যক্তি বুলিয়েই বিবেচনা কৰিব পাৰোঁ, কাৰণ আমি এনে এটা গ্ৰহত বাস কৰি আছোঁ, য'ত বিভিন্ন ধৰণৰ জীৱ আছে। অৱশ্যে এটা কথা ঠিক যে, তাৰে কিছু জীৱ এতিয়াও হয়তো বিৱৰ্তনৰ পথতেই আছে, কিছুমান হয়তো সময়ৰ সোঁতত নাইকীয়াও হৈ গৈছে। কিন্তু এই সকলোবোৰেই মিলি জীৱনৰ ফুলনিখন উজ্বলাই তুলিছোঁ। পৰিৱৰ্তনক আমি বাধা দিব নোৱাৰোঁ, পৰিৱৰ্তন অৱশ্যম্ভাৱী; কাৰণ ফল হ'বৰ বাবে ফুলৰ পৰিৱৰ্তন হ'বই লাগিব।

আমি মানুহবোৰে জৈৱবৈচিত্ৰ্যৰ এই জালিকাখনত এক বিশেষ স্থান অধিকাৰ কৰি আছোঁ। প্ৰাকৃতিক বৈচিত্ৰ্যৰে পৰিপূৰ্ণ এই জৈৱবৈচিত্ৰ্যত মানুহে নিজৰ জ্ঞান, বুদ্ধি আৰু বিচক্ষণতাৰে সকলো ধৰণৰ পৰিৱেশৰ লগত খাপ খুৱাই লৈ বাচি থাকি, নিজৰ দক্ষতাৰে বিভিন্ন ধৰণৰ সংস্কৃতিৰ জন্ম দিছে। এসময়ত প্ৰাকৃতিক জৈৱবৈচিত্ৰ্যই পৃথিৱীৰ বিভিন্ন সাংস্কৃতিক বৈচিত্ৰ্যৰ সৃষ্টি কৰিছিল যদিও বৰ্তমান সময়ত তাৰ পট পৰিৱৰ্তন হৈছে। লাহে লাহে আমি প্ৰাকৃতিক সংস্কৃতিৰ পৰিৱৰ্তে সৃষ্টি কৰিছোঁ একক সংস্কৃতিৰ আৰু তাৰ ফলত প্ৰাকৃতিক সংস্কৃতিৰ বিনাশ সাধন হৈছে।

**ষ্টিকাৰ লগা গছ গজা ঠাই** (দ্যা লেণ্ড হুৱেৰ দ্যা ষ্টিকাৰ্চ ট্ৰি গ্ৰ'জ) - এই কিতাপখনত সাম্প্ৰতিক সময়ত অৰ্ধ-নগৰীয়া আৰু নগৰীয়া সভ্যতাৰ সৃষ্টিৰ ফলত কেনেদৰে জৈৱবৈচিত্ৰ্য আৰু নগৰীকৰণৰ মাজত সংঘাতৰ সৃষ্টি হৈছে সেই বিষয়ে চমুকৈ আলোকপাত কৰিব বিচৰা হৈছে। অৱশ্যে এই ক্ষেত্ৰত আমি এই কাহিনীভাগত উল্লেখ কৰা জীৱ প্ৰজাতিকেইটাৰ প্ৰতি সহমৰ্মিতাও কৰিব খুজিছোঁ।

উদাহৰণস্বৰূপে গল্পটোত উল্লেখ থকা সেই পাৰ চৰাইটোৰ কথা উল্লেখ কৰিব পাৰোঁ। এসময়ত আমি গাইছিলোঁ- পাৰ চৰাই উৰি গ'ল / পালে নদীৰ পাৰ / ঘৰৰ মুধত পৰি থাকিল / গোটেই শুকুৰবাৰ - এতিয়া সিহঁতৰ বাবে ঘৰৰ মুধচেই পাবলৈ নাইকীয়া হ'ল; সিহঁতক পুহিবলৈও এৰি দিয়া হ'ল। সিহঁতে সিহঁতৰ পৰম্পৰাগত প্ৰাকৃতিক অভ্যাস এৰি পেলাইছে, আনকি বাহ সাজিবলৈ আৰম্ভ কৰিছে আধুনিক সভ্যতাৰ দান শীত-তাপ নিয়ন্ত্ৰিত যন্ত্ৰটোতহে (এ.চি.) । ঠিক সেইদৰে গল্পটোত উল্লেখ থকা বজাৰ কৰিবলৈ লৈ যোৱা বেগটোৰ কথা উল্লেখ কৰিব পাৰোঁ। এই সকলোবোৰে প্ৰতিদিনে আমাৰ মাজত আৰম্ভ হোৱা পৰিৱৰ্তনৰেই ইংগিত বহন কৰে।

এই গল্পটোৰ মাজেদি এনেবোৰ দিশেই তুলি ধৰিবলৈ যত্ন কৰা হৈছে। উল্লেখযোগ্য যে, কিতাপখনত বৰ্ণিত কাহিনীভাগত জৈৱবৈচিত্ৰ্যৰ বিভিন্ন দিশত হোৱা ভিন ভিন পৰিৱৰ্তনসমূহ বেলেগ বেলেগ দৃষ্টিকোণৰ পৰা তুলি ধৰা হৈছে। এই পৰিৱৰ্তনসমূহ আমাৰ দৈনন্দিন জীৱনলৈ প্ৰবলভাৱে সোমাই আহিছে আৰু তাৰ ফলত সৃষ্টি হৈছে নিত্য নতুন কাহিনীৰ। এনে পৰিৱৰ্তনবোৰ আমাৰ চহৰখনত যেন নিঃশব্দে, গোপনে প্ৰৱেশ কৰিছে; আনকি আমাৰ বজাৰখন, ঘৰখনো ইয়াৰ পৰা বাদ পৰি যোৱা নাই।

এইদৰেই আৰম্ভ হয় একোখন বকৰাণিৰ...



# ষ্টিকাৰ লগা গছৰ সন্ধানত







মহানগৰৰ উপকণ্ঠ অঞ্চলৰ কাষতে এখন বৰ ডাঙৰ বকৰাণি আছে। তাতে মহানগৰীৰ প্ৰায় সকলোবোৰ জাবৰ-জোঁথৰ আনি পেলোৱা হয়। গোটেই ঠাইখনত বিভিন্ন ধৰণৰ আধা-খোৱা খাদ্যবস্তু, ছিৰাছিৰ কৰি পেলোৱা পুতলা, ভগা-চিঙা বাচন-বৰ্তন, বটল, বেটাৰী (যিবোৰৰ পৰা সূৰ্যৰ পোহৰ পৰি ধোঁৱা ওলাই থাকে) ইত্যাদি জাবৰ-জোঁথৰেৰে ভৰি থাকে। অৱশ্যে মাজে মাজে সেইবোৰত জুই লগাই পোৰাৰ ব্যৱস্থাও কৰা হয়। অ' সেই বকৰাণিত প্ৰত্যেক দিনাই কাষৰ পাহাৰৰ পৰা নামি অহা এজাক বান্দৰে খোৱা বস্তু বিচাৰি চলাথ কৰেহি।

তাৰ মাজতে আছে এটা বিশেষ বান্দৰ। অ' সি দেখোন লগবোৰৰ পৰা অলপ আঁতৰি সেই বকৰাণিপে এটা বিশেষ কোণত গৈ খোৱা বস্তু বিচৰাত লাগিছে। সি ঠিকেই গম পাইছে, কালি সন্ধিয়া সেই ঠাইখিনিতে গাড়ী এখনে জাবৰ পেলাইছিল। লগৰবোৰে আকৌ আজি পেলোৱা জাবৰখিনিৰ মাজতে খাদ্য বিচৰাত ব্যস্ত। বান্দৰটোৱে কি কৰিছে সেই বিষয়ে কোৱাৰ আগতে তাৰ পৰিচয়টো দি লোৱা যাওঁক।

এই বান্দৰটোৰ এটা বিশেষত্ব আছে। সৰুতে হোৱা পয়া লগা বেমাৰৰ বাবে তাৰ গাৰ গঠনতকৈ আঙুলিবোৰ দীঘল দীঘল।






সেইসময়ত
(বেমাৰী অৱস্থাত)
তাৰ আঙুলিবোৰ টানি
দিলেই দীঘল হৈ গৈছিল,
সেয়ে তাক সকলোৱে ‘লেজুৰা’ বুলি
জোকাইছিল। পিছলৈ সি সেই নামেৰেই পৰিচিত হৈ
পৰিল। সেইদিনা লেজুৰাই তাৰ কাষতে পৰি থকা জাবৰ-জোঁথৰৰ দমটোৰ পৰা কি বুটলিব-নুবুটলিব বুলি ভাবি ভাবি তাতে পৰি থকা বেটেৰী এটাতে বহি দিলে। অভ্যাসবশতঃ তাৰ হাতখনেৰে ইফালে-সিফালে লিৰিকি-বিদাৰি আছিল।

হঠাৎ সি গম পালে, তাৰ হাতখন পৰিছে কোনো এটা গোটা বস্তুত। কিনো বুলি বস্তুটো হাতত তুলি চকুৰ সন্মুখলৈ আনিলে। এটা আধাখোৱা আপেল। আপেল এই মাৰ্চ মাহত? এৰা এই মহানগৰখন সঁচাকৈয়ে বৰ আচৰিত দেই।

লেজুৰাই বৰ আৰামেৰে সেই বেটাৰীটোৰ ওপৰতে হাত-ভৰি মেলি বহি ল'লে, দীঘলকৈ উশাহ এটা টানি নিজৰ ভাগ্যক ধন্যবাদ দি আপোলটোত কামোৰ এটা মাৰিলে। অ'... এয়া কি? কিবা যেন কাগজৰ দৰে, নিমজ কিবা এটা; সি চোবাব নোৱৰা... ....অলপ আঠাযুক্ত...

অ' এটা ষ্টিকাৰ। তাত লিখা আছে...

চিকচিকীয়া? (SHINIER?)

মচমচীয়া ? (CRUNCHIER?) এই আপেলটো ক'ৰ পৰা অহা!

ভগৱানে পঠিওৱা নেকি বাৰু! তাৰ হাতত থকা এইটো নিশ্চয় অতি উৎকৃষ্ট আপেল!

আৰু এয়া আহিছে এটা ষ্টিকাৰৰ সৈতে!

লেজুৰাই আপেলত লাগি থকা ষ্টিকাৰটো তাৰ কাণখনৰ পিছফালে লগাই ল'লে। সি ষ্টিকাৰ লগা গছজোপা বিচাৰি যোৱাৰ কথা চিন্তা কৰিলে। পিছে ক'ত বা আছে সেই গছজোপা! এৰা... দলটোত থকা বয়োজ্যেষ্ঠ মলুৱাই নিশ্চয় তাক এই প্ৰশ্নৰ উত্তৰ দিব পাৰিব।

“হে মলুৱা ককা! এয়া চোৱা মই কি পালোঁ। ষ্টিকাৰ লগোৱা এটা আপেল। নগৰখনৰ পৰা পোৱা এটা উপহাৰ” লেজুৱাই ক’লে।

‘মুৰ্খ, আপেলবোৰ নগৰৰ পৰা নাহে।” বৃদ্ধ মলুৱাই ক’লে। “আপেল বাগিচাৰ পৰাহে আহে। যেনেদৰে বান্দৰ বকৰাণিত বাস নকৰে, গছতহে বাস কৰে, তেনেদৰে। আৰু ষ্টিকাৰ? সেইটোৰে তই কি কিৰিবি। সেয়াতো তই খাবও নোৱাৰ।”

“সঁচা কথা; কিন্তু এয়া দেখিবলৈ কেনে ধুনীয়া নহয়নে! মহানগৰত বাস কৰা মানুহবোৰে সিহঁতৰ আপেলবোৰত এয়াত লগাই দিয়ে আৰু তাৰ বাবেই ই মচমচীয়া হয়।”


“মহানগৰৰ মানুহবোৰে কি চিন্তা কৰে, সেয়া আমাৰ ক্ষুদ্ৰ মগজুৰে ঢুকি নাপায় অ’ লেজুৱা।” বৃদ্ধ মলুৱাই পুনৰ ক’লে। “তই যদি এনে ষ্টিকাৰ লগা গছজোপা মহানগৰীত বিচাৰি যাব খুজিছ তেন্তে মই তাত বাধা নিদিও। কিন্তু যোৱাৰ আগতে মোৰ কাহিনী এটা শুনি যা। মই যেতিয়া সৰু আছিলোঁ, তেতিয়াৰ কথা। সেই সময়ত এজনী সৰু ছোৱালীয়ে মোক প্ৰত্যেক দিনাই আঙুৰ খাবলৈ দিছিল আৰু তাৰ গুটিবোৰ মই এই গছজোপাৰ কাষতে সিঁচি দিছিলোঁ। লাহে লাহে চাৰিওফালে আঙুৰৰ গছবোৰ গজি উঠিছিল আৰু প্ৰত্যেক বছৰ শীতকালত সতেজ আঙুৰেৰে গছবোৰ ভৰি পৰিছিল। তাৰ পাছত এদিন তাই বাস কৰা নগৰখনৰ মানুহবোৰে ইয়াত থকা গছজোপা কাটি পেলালে আৰু এয়া এখন বকৰাণি হিচাপে ব্যৱহাৰ কৰিবলৈ আৰম্ভ কৰিলে। তাৰ পাছৰ পৰা আমি আৰু ইয়াত আঙুৰৰ খেতি কৰিব পৰা নাই।”



"সেয়া কিহৰ বাবে কৰিলে মলুৱা ককা।" লেজুৱাই সুধিলে।

"আপেলত ষ্টিকাৰ লগাই ভালপোৱা মানুহবোৰে বোলে এতিয়া গুটি নথকা আঙুৰো খেতি কৰে।"

"গুটি নথকা আঙুৰ! কেনে উদ্ভাৱনশীল ! (কেনে আচৰিত!)" লেজুৱাই আটাহ পাৰি উঠিল, যেন বয়োবৃদ্ধ মলুৱাক ধন্যবাদহে জনালে।



লেজুৱাই সেই বকৰাণিৰ জাবৰ-জোঁথৰবোৰৰ মাজতে এঠাইৰ পৰা আন ঠাইলৈ জপিয়াই জপিয়াই কিবা বিচাৰিবলৈ আৰম্ভ কৰিলে। আন ক'তো নথকা সেই গছজোপাকে বিচাৰিবলৈ আৰম্ভ কৰিলে। সেই সময়তে কাণত লগাই থোৱা ষ্টিকাৰটো আছেনে নাই তাকো এবাৰ চাই ল'লে আৰু আপেলটো নেজডালেৰে পকাই ধৰি থাকিল। এসময়ত অলপ সময় ৰৈ সি ভাবিলে যে, এই গছজোপা বিচাৰি মহানগৰীলৈকে যোৱা যাওঁক নেকি!

এই ষ্টিকাৰটোৰ বাবেই যদি এই আপেলটো ইমান চিকচিকীয়া আৰু মচমচীয়া হৈছে; তেনেহ'লে ষ্টিকাৰ লগা গছজোপা চাগৈ আৰু বিস্ময়কৰ হ'ব! এয়া নিশ্চয় প্ৰকাণ্ড গছ হ'ব, তাৰ শাখা-প্ৰশাখাবোৰে চাগৈ আকাশ চুবগৈ! এয়া মহানগৰীত থাকিব লাগিব। পিছে মহানগৰীত থকা যাদুকৰী গছবোৰৰ ভিতৰত এনে দৰে ষ্টিকাৰ লগা গছজোপা কেনেদৰে বিচৰা যায়?

# উন্নতিৰ শিখৰত







"শিবু! আইতাই খাবৰ বাবে ফলমূল লৈ আহগৈ।" সুউচ্চ অট্টালিকাটোৰ চতুৰ্থ মহলাত থকা মানুহজনীয়ে তেওঁলোকৰ কাম কৰা ল'ৰাটোক চিঞৰি কোৱা শুনা গৈছে। "আৰু বেলকনিৰ দৰ্জাখন বন্ধ কৰি আহিবি। পাৰ কেইজনী আকৌ আহিছে।"

সেইটোৱেই আছিল আমাৰ সংকেত। শিবুৱে আমাক ঝাড়ুৰে কোবোৱাৰ আগতেই আমি সেই ঠাই এৰিলোঁ; অৱশ্যে এৰি অহাৰ আগতে, আমি যে তাত আছিলোঁ তাৰ প্ৰমাণ দি থৈ আহিবলৈ পাহৰা নাই। এই অট্টালিকাটোত বাস কৰা মানুহখিনিৰ মাজত আমাৰ প্ৰতি এক বেয়া ধাৰণাই গঢ় লৈছে।




পাৰ, এই গগনচুম্বী অট্টালিকাত ইহঁতেই হ'ল লেতেৰা, ফেদুৰা জীৱ।

আমাৰ পাৰৰ জাকটোৱে দিনৰ পিছত দিন ধৰি বেলকনিৰ চাৰিওফালে উৰি ফুৰে। অকণমান জিৰণি ল'ব বাবে, খেলিবৰ বাবে এটুকুৰা ঠাই; বাহ সাজিবৰ বাবে এটুকুৰা ঠাই নাই। এৰা এয়া বৰ ৰূঢ় বা কঠোৰ বাস্তৱ।

মই দ্বিতীয় প্ৰজন্মৰ এপাৰ্টমেণ্ট নিবাসী পাৰ। মোৰ আজো আইতা আছিল বাহ সজাৰ এগৰাকী ভাল স্থপতিবিদ। বিশ্বাস কৰক, মই এই কথা এনে এটা সময়ত কৈছোঁ যেতিয়া, ভেণ্টিলেটৰৰ খিৰিকিৰ বাদে আন ঠাইত আমি থাকিবলৈ ঠাই অকনো নাপাওঁ।

গছ ? কোনেনো এতিয়া গছ বিচাৰে?



মোৰ পূৰ্বজসকলে গছত বাস কৰিবলৈ এৰাৰে পৰাই আমি বাহ সজাৰ কলা পাহৰি পেলালোঁ। এয়া পিছে সময় উপযোগী কথা, মোৰ আজু আইতাই কয়- আমি সময়ৰ সৈতে সহবাস কৰা উচিত। লগতে মানৱ জাতিটোকো আমি ধন্যবাদ দিয়া উচিত কাৰণ, তেওঁলোকেহে আমাক






কোনো ধৰণৰ আগতীয়া জাননী নিদিয়াকৈ এনে উচ্চ অট্টালিকা নিৰ্মাণ কৰি আমাক তাৰ সৈতে সহবাস কৰিবলৈ শিকালে, সময়ৰ সৈতে খোজ দিবলৈ শিকালে।

সেই দিনটোৰ কথা মনত পৰে, যি দিনা মানুহে ইয়াত থকা গছবোৰ কাটিবৰ বাবে যো-জা কৰিছিল। অ' সেইদিনা গছৰ নিবাসীসকলে সন্ত্ৰস্ত হৈ চিঞৰ-বাখৰ কৰিছিল। নিগনি, কেৰেলুৱা, জেঠি, ঘৰচিৰিকাকে আদি কৰি বিভিন্ন জীৱ-জন্তুবোৰে বহুৱালি কৰাৰ দৰে কৰা কোৰ্হালৰ  আমি প্ৰত্যক্ষদৰ্শী আছিলোঁ।







মানুহে আমাৰ মাতৃস্বৰূপা গছজোপাৰ (যি জোপা গছৰ আশ্ৰয়তে আমি ইমান ডাঙৰ হ'লোঁ) গুৰি কাটি পেলোৱাৰ আগতেই আমি কেইটামান তাৰ পৰা উৰি গৈ কাষতে থকা ওখ খুঁটা এটাত আশ্ৰয় ললোঁ। সেই গছজোপাৰ মৃত্যুৱে যেন মোক নতুন ধৰণে জীয়াই থকাৰ প্ৰেৰণা যোগালে। গছজোপা কাটোতে মৃত্যুক সাৱটি লোৱা মোৰ সেই আশাবাদী আজু আইতাজনী এতিয়া থকা হ'লে, এই ঠাইত নিৰ্মাণ হোৱা সুউচ্চ অট্টালিকাবোৰ দেখি নিশ্চয় সন্তুষ্টি লাভ কৰিলেহেঁতেন।

দুবছৰ ধৰি আমি ইয়াৰ প্ৰত্যক্ষদৰ্শী আছিলোঁ, কেনেদৰে মানুহে এটা মহলাৰ পাছত আন এটা মহলা নিৰ্মাণ কৰিছিল। তেনেদৰে এই অট্টালিকাটো ইমানেই ওখ হ'ল যে, আমাৰো মূৰ আচন্দ্ৰাই যায়। আমি তেতিয়াই মানুহৰ সৈতে অতি কষ্ট কৰি সহবাস কৰিবলৈ শিকিলোঁ। আমি অকণমান খালি ঠাইত, খিৰিকিবোৰত বাহ সাজিবলৈ ল'লো। কিন্তু কেতিয়াবা কেতিয়াবা আমি তাৰ পৰা অন্যায়ভাৱে বিতাৰিতও হৈছিলোঁ, মানুহে আমাক তাৰ পৰাও খেদি পঠিয়াইছিল। মানুহবোৰেও যেন আমাৰ সৈতে সময়ৰ লগত গতি কৰি থাকে।

এই ফ্লেটত প্ৰথমটো গ্ৰীষ্মকালতে আমাৰ অৱস্থা আৰু বেয়াৰ ফালে গতি কৰিলে। মানুহে শীত-তাপ নিয়ন্ত্ৰিত যন্ত্ৰ (এ. চি.) লগোৱাৰ নামত খিৰিকিবোৰ বন্ধ কৰি পেলালে। বতাহ সোমাব পৰা সৰু-বৰ ফুটাবোৰো কাৰ্টুন দি, ডাঠ কাগজ লগাই বন্ধ কৰি দিলে। তাৰ ফলত আমি আমাৰ ঘৰবোৰৰ পৰা পুনৰ বিতাৰিত হ'লোঁ। এয়া কি যে বিৰম্বনা !







এৰা ! আমি এতিয়া উন্নতিৰ শিখৰত বাস কৰোঁ। কি যে বিৰক্তকৰ এই কথা। অঘৰী চৰাইৰ জাক !



অৱশেষত আমি ভেণ্টিলেটৰৰ খিৰিকিবোৰ বিচাৰি পালোঁ। ইয়াৰ বাবে ধন্যবাদ। এয়া এক অতি বিপজ্জনক কথা যদিও গছত বাস কৰাতকৈ কম বিপজ্জনক। নহয়নে? আপুনি কি কয় !

অ' সেয়া শিবুয়ে আইতাৰ বাবে ফল কিনিবলৈ বজাৰলৈ গৈছে। আৰু চাওঁক, কেনে ভাবুক ল'ৰা সি। চাউল থোৱা বাচনটোৰ ঢাকনিখন মাৰিবলৈ পাহৰিলে আৰু পাকঘৰৰ খিৰিকিখনো খুলি থৈ গ'ল।

এপাৰ্টমেণ্টত বাস কৰিবলৈ হ'লে কলিজা সৰু হ'লে নহ'ব। ইয়াত বাসিন্দাসকলে আমাক বিনামূলীয়াকৈ খোৱাবস্তু নিদিবলৈ প্ৰতিটো মুহূৰ্ততে যত্ন কৰে; কিন্তু আমি ইয়াতে এনেদৰেই বাস কৰিব লাগিব !





সেই সময়াতে,

লেজুৰা আহি আহি বোকৰ স্তূপ এটাত উঠি কোনোবা ফালে বিশাল সেউজীয়া ঠাই দেখি নেকি তাকে চাবলৈ যত্ন কৰিলে। কিন্তু তেতিয়াও মহানগৰখন তাৰ চকুত নপৰিল।

তথাপি সি আছিল অবিচল।

তাৰ কাণৰ পিছপালে লগাই লোৱা সেই ষ্টিকাৰটোৱেই মহানগৰীলৈ বাট বুলিবলৈ তাক সাহস আৰু উৎসাহ যোগাইছে। সি আৰু সেই বিশেষ আশিষধন্য গছজোপাত বগাবলৈ, তাৰ গোটেই গাটো ষ্টিকাৰেৰে ঢাকি ল'বলৈ অপেক্ষা কৰিব নোৱাৰো! তাতে চিকচিকীয়া আৰু মচমচীয়া আপেল খাবলৈ পোৱা সিয়েই সেই বিশেষ ভাগ্যশালী বান্দৰ!







"প্ৰত্যেকেই বহুত ষ্টিকাৰ

ব্যৱহাৰ কৰিব পাৰে।"'

সি মুখৰ ভিতৰতে ভোৰভোৰালে আৰু আগলৈ বাট বুলিলে।





# পক্ষপাতদুষ্টতা

শিবু নামৰ সেই বন কৰা ল'ৰাটোৱে আইতাৰ বাবে ফলমূল কিনিবলৈ চুপাৰ মাৰ্কেটখনলৈ গৈ আছে। গৈ থাকোঁতে ৰাস্তাটোৰ মাজত শুই থকা গৰু এজনী দেখি সি ফালৰি কাটি পাৰ হৈ গ'ল। অ' গৰুটোৱে দেখোন প্লাষ্টিকৰ মোনা এটা চোবাই আছে। এই প্লাষ্টিকবোৰে আমালৈ কেনেদৰে সৰ্বনাশ মাতি আনিছে সেয়া ভাবিয়েই মই কেতিয়াবা জিকাৰ খাই উঠোঁ। কি যে অদ্ভুত সামগ্ৰী এবিধৰ সৃষ্টি হ'ল।



মই যে এতিয়াও কেনে মজবুত হৈ আছোঁ। যোৱা পোন্ধৰটা বছৰ মই এই পৰিয়ালটোৰ সৈতে বাস কৰি আছোঁ। আজিলৈকে কোনো দিনেই মোক অপ্ৰয়োজনীয় বুলি বিবেচনা কৰা দেখা নাই। অ' মোৰ পৰিচয়টো দিবলৈ পাহৰিয়েই গৈছিলোঁ। মই হ'লোঁ এটা মৰাপাটৰ বেগ বা মোনা। মোক দুই-এদিন ব্যৱহাৰ কৰি দলিয়াই পেলাই দিয়া তুমি ক'তো নেদেখিবা; মই বহু বছৰ বজাৰ কৰাৰ এক নিৰ্ভৰযোগ্য সংগী।



মই কেতিয়াও অকলশৰীয়া হৈ থাকিবলগীয়া হোৱা নাই। সেই আইতাজনীয়ে মোক কিনি অনা দিনৰে পৰা মই তেখেতৰ বজাৰ কৰাৰ সংগী হৈ আছোঁ।

প্লাষ্টিতে শিবুহঁতৰ গাঁওখনক কেনেদৰে ডিঙিত চেপা মাৰি ধৰিছিল, সেয়া সি দেখিছিল। সেই বাবেই তাৰ বাদে আন সকলোকে প্লাষ্টিকে নিবিষ্ট কৰি ৰখা দেখা যায়। মই জনপ্ৰিয় হওনে নহয় সেয়া ডাঙৰ কথা নহয়; কিন্তু মই অতি বিশ্বাসভাজনভাৱে আজি অত বছৰে বজাৰৰ পৰা ঘৰলৈ বিভিন্ন সামগ্ৰী কঢ়িয়ায়েই আছোঁ।

অৱশ্যে এটা কথা ঠিক যে, আজিৰ পৰা দহ বছৰ আগতেই আইতাই যেনেদৰে বজাৰ কৰিছিল,

আজি শিবুহঁতে কৰাৰ লগত তাৰ বহুত পাৰ্থক্য আছে। মই গোটেই বজাৰখন আইতাৰ কান্ধত উঠি ঘূৰি ফুৰিছিলোঁ। তাত পাইছিলোঁ বিভিন্ন ধৰণৰ গোন্ধ, শব্দ আৰু গাড়ী-মটৰৰ প্ৰাণচঞ্চল এক পৰিৱেশ।

বেপাৰীসকলে অতি আনন্দ মনেৰে আমাক চিঞৰি চিঞৰি তেওঁলোকৰ তাত থকা সামগ্ৰীসমূহ কিনিবলৈ আহ্বান কৰিছিল; তাৰে ভিতৰত আছিল- বিভিন্ন ধৰণৰ সতেজ ফলমূল, শাক-পাচলি, মাহজাতীয় শস্য, নিজা ঘানীত পেৰা তেল আৰু আটা-ময়দা আদি। অৱশেষত আমি সেই বজাৰখনৰ শেষৰ কোণাটোত উপস্থিত হৈছিলোঁ। তেতিয়ালৈকে মোৰ ভিতৰখন, আনকি মুখলৈকে বিভিন্ন ধৰণৰ সামগ্ৰীৰে ভৰি পৰিছিল। বজাৰখনত এই মহানগৰখনৰ উপকণ্ঠ অঞ্চলৰ কৃষকসকলে তেওঁলোকৰ তাত উৎপন্ন হোৱা বিভিন্ন ধৰণৰ উৎকৃষ্টমানৰ সামগ্ৰী বিক্ৰীৰ বাবে লৈ আনিছিল।



আইতাই তৰমুজ কিনাৰ কথা কওঁ। তেখেত বজাৰ কৰা বহু অভিজ্ঞতাৰে পুষ্ট। সেই বাবে তেখেতে প্ৰত্যেকটো তৰমুজ এটা এটাকৈ পিটিকি চায় আৰু হাতত লৈ তাৰ ওজন কিমান হ'ব পাৰে সেয়া অনুমান কৰে। তাৰ পাছতে মোক লৈ আৰম্ভ হয় এখন টনা-আজোৰা। আইতাই তৰমুজটো কিনাৰ আগতে তাৰ বাবে দাম-দৰ কৰে। বেপাৰীজনে মোৰ ভিতৰত তৰমুজটো ভৰাই দিব বিচাৰে, আইতাই সেইটো ভৰাবলৈ নিদিয়াকৈ মোক তেওঁৰ ফালে টানি আনে। ইফালে মুখেৰে দাম-দৰ চলিয়েই থাকে। অৱশেষত দুয়োজনে দহ টকাত মান্তি হয়। এনেদৰেই মই সেই সময়ত গুৰুত্ব লাভ কৰোঁ।

এতিয়া আৰু আইতাই বয়সৰ বাবে বজা ৰলৈ যাব নোৱাৰে। মই আৰু শিবু চুপাৰ মাৰ্কেট এখনত সজাই ৰখা বিভিন্ন সামগ্ৰীবোৰৰ শাৰীবোৰৰ মাজৰ সৰুকীয়া বাটবোৰত ঘূৰি ফুৰোঁ। এই শাৰীবোৰত সজাই ৰখা হয়- ততালিকে প্ৰস্তুত কৰিব পৰা খাদ্য সামগ্ৰী, পেকেট কৰি ৰখা মধুৰান্ন, পৃথিৱীৰ বিভিন্ন ঠাইৰ পৰা আমদানি কৰা উৎকৃষ্ট ফলমূল। এই প্ৰত্যেকটো সামগ্ৰীয়েই মোৰ দূৰ সম্পৰ্কীয় পৰিজন পাষ্টিকেৰে ধুনীয়াকৈ আবৃত কৰি ৰখা হয়। তাহাঁতৰ বিৰম্বনা এয়াই যে, পাকঘৰৰ চৰু চাবলৈ পোৱাৰ আগতেই সিহঁতক দলিয়াই পেলাই দিয়া হয়।




ইয়াত সামগ্ৰীৰ দামবোৰ কোনেও চিঞৰি চিঞৰি নকয়, চুপাৰ মাৰ্কেটখনে নিজেই ঠিক কৰা থাকে। প্ৰত্যেকটো সামগ্ৰীৰ গাতে লগাই থোৱা নিমজ হালধীয়া এখন ষ্টিকাৰত লিখা থাকে। আনকি কঁঠালৰ দৰে খহুলা ফলৰ গাতো একেদৰেই দাম লিখা থাকে। এই বজাৰখনৰ চাৰিওফালে ভৰি আছে কেৱল হালধীয়া ৰঙৰ এনে ষ্টিকাৰেৰে।

মনত আছেনে বাৰু! আগতে যে ফল লগাৰ সময় কেতিয়া হ'ব, তাৰ বাবে বৰ আন্তৰিকতাৰে অপেক্ষা কৰা হৈছিল? কিন্তু আজিকালি এনে চুপাৰ মাৰ্কেটত যি কোনো সময়তে, যি কোনো ফল পোৱা যায়। অৱশ্যে মোৰ বাবে এনে ঘটনা বিৰাগজনক আৰু ফলবোৰো স্বাদহীন। বজাৰ কৰা মোনা হিচাপে মোৰ যে কি দুৰ্ভাগ্য, মই আজি তেনেবোৰ ফলেই লৈ আহিব লাগে।

গছৰ শেষৰটো পকা আম নাইকীয়া হোৱাৰ পাছতো তেওঁলোক ধূৰ্তালি কৰি, মনে মনে গেছ বা ধোঁৱা দি কেঁচাবোৰো পকাই পেলায়। এতিয়া আকৌ সুগন্ধিবিলাকো টেমাতে,






বায়ুশূন্যভাৱে কপ্‌কটীয়াকৈ বন্ধ কৰি থয়। ইয়াত পোৱা ভেণ্ডিবোৰ সমান সমান জোখৰ, বিলাহীবোৰ সম পৰিমাণে পকা।

শিবু আৰু মই এই চুপাৰ মাৰ্কেটখনৰ পৰা এতিয়া বাহিৰলৈ ওলাবলৈ লৈছোঁ। ইতিমধ্যে তাৰ পকেটত থকা ধনৰাশি কমিল আৰু মোৰ পেটটো ভৰ্তি হ'ল। আমি এপাৰ্টমেণ্টত প্ৰৱেশ কৰাৰ আগে আগে শিবুৱে মোৰ পকেটৰ পৰা এটা চিকচিকীয়া আপেল উলিয়াই হাতত ল'লে। আজিৰ পৰা প্ৰায় এমাহৰ আগেতেহে শিবুৱে এনেদৰে এটা আপেল নিজৰ বাবে কিনিব পাৰিছিল। আজিৰ দিনত মহানগৰত জীৱন নিৰ্বাহ কৰাতো বৰ কঠিন হৈ পৰিছে, বিশেষকৈ শিবুৰ দৰে দুখীয়াসকলৰ বাবে।

শিবুৱে আপেলটোত ডাঙৰকৈ কামোৰ এটা মাৰিছিল হে... সেই সময়তে সি আইতাই বেলকনিৰ পৰা পাৰবোৰ হুৰাই দিয়াৰ শব্দ শুনিলে। লগে লগে তাৰ বুকুখন ধপ ধপ কৰি উঠিল আৰু সি আধাখোৱা আপেলটো খৰখেদাকৈ চুৰা-পেলোৱা ড্ৰামটোৰ ভিতৰত পেলাই দিলে। ইয়াৰ পৰাই পষ্টিকৰ বেগবোৰৰ তলত, এপাৰ্টমেণ্টৰ কোনেও সন্ভেদ উলিয়াব নোৱাৰাকৈ এই আপেলটোৰ যাত্ৰা আৰম্ভ হৈছিল সেই বকৰাণিলৈ। শিবু তাৰ পাকঘৰৰ দৈনন্দিন কৰ্মলৈ উভতি গ'ল আৰু তাৰ ভুলৰ বাবে গালি খালে।

মই এতিয়া তাৰ বজাৰ কৰাৰ নিৰ্ভৰযোগ্য সংগী। অ' ৰ'ব, মোৰ মনত থকা গোপন আশা এটাৰ ভাগ আপোনাকো দিওঁ। মই আশা কৰোঁ কেতিয়াবা নহয় কেতিয়াবা শিবুৱে নিজৰ বাবে আপেল কিনিবৰ সক্ষম হ'ব আৰু সি দহ টকা দামৰ আপেলটো কোনো ধৰণৰ দৰা-দৰি নকৰাকৈ কিনিব পাৰিব।




সময় দুপৰীয়া,


ওপৰত সূৰ্যৰ খাওঁ খাওঁ মূৰ্তি। সেই সময়ত লেজুৰা আহি পথাৰখনৰ মাজভাগত উপস্থিত হৈছিল। সি ঘামিছিল, সেই বাবে তাৰ কাণত লগাই থোৱা ষ্টিকাৰটোৰ আঠা কমি গৈ ধিলা হৈ পৰিছিল। এয়াটো হ'ব নালাগিছিল। সি শান্ত হ'বই লাগিব।

বৃদ্ধ মলুৱাই কৈছিল "গৰম দিনত এডৰা শস্য উৎপাদন কৰা মাটি সদায়ে তোৰ বন্ধুৰ দৰে। শস্যই মাটি সেমেকা আৰু ঠাণ্ডা কৰি ৰাখে।"

লেজুৱাই ঠিয় হৈ গোটেই পথাৰখনৰ চাৰিওফালে দৃষ্টি নিক্ষেপ কৰিলে; ক'ৰবাত ওখ হৈ থকা কিবা বিশেষ শস্য আছে নেকি চালে। কিন্তু এই খেতিডৰাৰ এক অদ্ভুত ধৰণৰ বিশেষত্বহে সি লক্ষ্য কৰিলে। গোটেই পথাৰখনত কেৱল আলুৰ খেতিহে কৰা হৈছে।

আৰু এতিয়া, সকলো বিলাক মাটিত বাগৰি পৰি আছে।








এসময়ৰ
এখন গাম

ৰাতিপুৱাৰ সূৰ্যটো সময় বাঢ়ি অহাৰ লগে লগে খাওঁ খাওঁ মূৰ্তি ধৰিবলৈ আৰম্ভ কৰে আৰু তাৰ সমান্তৰালভাৱে মাটিখিনিও গৰম হ'বলৈ আৰম্ভ হয়। মই মোৰ ফালখনেৰে শিৰলুৰ সৃষ্টি কৰি মাটিখিনি চাহ কৰোঁ। খেতিয়কজনে হাতেৰে মোক ইফালে-সিফালে ঘূৰাই তেওঁৰ পামৰ মাটিখিনি চহায়। এডৰা... দুডৰা... তিনিডৰা কণিধান। গেৰ ধৰি শেষত সোণ গুটিৰে ভৰি খেতিয়কজনৰ ভঁৰাল শুৱনি কৰাৰ আগলৈকে পানীৰ বাবে কোনো ধৰণৰ প্ৰতিবাদ নকৰাকৈ সূৰ্যৰ প্ৰখৰ উত্তাপৰ বিপৰীতে সংগ্ৰাম কৰি এই তিনিডৰা কণিধানে শ্ৰীবৃদ্ধি লাভ কৰিব। আমি তাৰ পৰা বেলেগ এডৰা খেতিলৈ আহিলোঁ।



কুঁৱাটোৰ কাষৰ এডৰা মাটি। এই মাটিডৰা ভৰিৰ সৰু গাঁঠি বুৰ যাব পৰা পানীৰে ভৰি আছে। তাত থকা কেঁচু, গুবৰুৱা আৰু বিচা বা শূককীটবোৰে মাটিৰ পৰা মূৰটো উলিয়াইমোক অভিবাদন জনাইছিল। মই যেতিয়া তললৈ বেছিকৈ বহি গৈছিলোঁ তেতিয়া খেতিয়কজনে অকলে মোক টানিব পৰা নাছিল। তেওঁ তেওঁৰ ল'ৰাটোক সহায়ৰ বাবে মাতিলে। দুয়ো মোক ধৰি এই বোকা মাটিকেইডৰা চহাবলৈ আৰম্ভ কৰিলে। এডৰা.. পাঁচডৰা... দহডৰা ধান। সোনগুটিৰে ভঁৰাল ভৰাৰ আগলৈকে, সেয়া মৰণা মাৰি বেচিব পৰা হোৱালৈকে এই বিশাল দহডৰা ধান বৰ সাৱধানে প্ৰতিপালন কৰিব লাগিব। আমি তাৰ পৰাও আগবাঢ়ি গ'লোঁ।



খেতিয়কজনৰ পামখনৰ শেষৰফালে থকা ওখ মাটিডৰাত আমি উপস্থিত হ'লোঁহি। ইয়াত খেতিয়কজনে বিভিন্ন ধৰণৰ মাহজাতীয়



শস্যৰ খেতি কৰে। এডৰা... দুডৰা.. চাৰিডৰা মাটিত ভিন ভিন ধৰণৰ মাহজাতীয় শস্যসমূহ এতিয়া সুন্দৰ সুন্দৰ ফুলেৰে ভৰি পৰিছে। যেন পৃথিৱীৰ উৰ্বৰতাৰ বাবে তাইক ধন্যবাদ জ্ঞাপন কৰিবলৈহে নানাৰঙী ফুলৰ বাগিচা পাতি ৰাখিছে। আমি তাৰ পৰাও আগবাঢ়ি গ'লোঁ।

এনে দৰেই পামখনৰ বেলেগে বেলেগ ঠাইত বিভিন্ন শাক-পাচলি আৰু মচলা জাতীয় শস্যৰ খেতিৰেও ভৰি আছে। অ' মই এযাৰ কথা ক'বলৈ পাহৰিয়েই গৈছিলোঁ। এই পামখনত এডৰা গোলাপ ফুলৰ সুন্দৰ বাগিচাও আছে আৰু সেই বাগিচাখনত খেতিয়কজনৰ জীয়েকে সদায়েই পানী দিয়ে। সূৰ্য অস্ত যাবৰ পৰত আমি ঘৰলৈ ঘূৰি আহোঁ আৰু আৰাম কৰোঁ।




মোক বাৰীখনত থকা কঁঠাল গছ এজোপাৰ গাতে আওজাই খেতিয়কজনে হাত-ভৰি ধুবলৈ গ'ল। মই ইয়াত আৰামত আঁউজি আজিৰ দিনটোৰ কামখিনি সমীক্ষা কৰিবলৈ সুবিধা পালোঁ- এই পামখনত, সেই কেইডৰা মাটি আমি আজি একেলগে চহালোঁ। এয়া বোকাময় পথাৰত কাম কৰাৰ





অভিজ্ঞতা যদিও তাতে লুকাই আছে প্ৰাপ্তিৰ আনন্দ। অৱশ্যে তাৰ বাবে মোৰ গোটেই গা বোকাৰে লুতুৰি-পুতুৰি হ'ল।

ৰাতি ভাতখোৱাৰ পাছত এই খেতিয়কজনে তেওঁৰ ল'ৰাটোৰ লগত বহি কথা পাতি আছিল। কথা পাতি আছিল বুলি ক'লে অৱশ্যে ভুল কোৱাও হ'ব পাৰে। কাৰণ, ল'ৰাটোৱে বাপেকক কাষতে থকা মহানগৰৰ পৰা অহা এখন জাননী পঢ়িহে শুনাইছিল। "মহানগৰীৰ খাদ্য-উদ্যোগে আমাৰ ইয়াত উৎপাদন হোৱা শস্যসমূহ কিনিব বিচাৰিছে।" শিবুৱে ক'লে। অ' ক'বলৈ পাহৰিছিলোঁ, খেতিয়কজনৰ ল'ৰাটোৰ নাম শিবু। "আমি যদি ইয়াত কেৱল আলুহে উৎপাদন কৰোঁ তেতিয়াহ'লে অধিক দাম দি হ'লেও আমাৰ উৎপাদিত আলুবোৰ কিনিব বুলি কৈছে।"



"কেৱল আলু ?" খেতিয়কজন বিবুধিত পৰিল। "কিন্তু আমি কেৱল আলু খাই জীয়াই থাকিব নোৱাৰোঁ, আমাক আন খাদ্য-শস্যও লাগিব।"

পিছদিনা এই অঞ্চলৰ সকলো খেতিয়ক একগোট হৈ এই কথাটোৰ বিষয়ে খাদ্য-ঔদ্যোগিকজনৰ ব্যক্তিগত সচিবৰ সহকাৰী মেনেজাৰজনৰ লগত আলোচনা কৰিলে। তেওঁলোকে জানিব বিচাৰিলে যে, মহানগৰীৰ মানুহবোৰে কেৱল আলুহে খাব নেকি ? এনে ধৰণৰ গছত গৰু উঠা কথা তেওঁলোকে আজিলৈকে শুনা নাই।

"আহ !.. কিন্তু তেওঁলোকে ইয়াৰ চিন্তা কৰিব।" সহকাৰী মেনেজাৰজনে ক'লে। "তেওঁলোকৰ বাবে চাউল আছে বহু বহু যোজন দূৰৰ ঠাইৰ পৰা। ব্ৰহ্মপুত্ৰৰ সিপাৰৰ বেলেগ দেশৰ পৰা তেওঁলোকৰ বাবে আটা-ময়দা আছে। আৰু খোৰা তেল, সেয়াও আছে বিভিন্ন ঠাইৰ পৰা। আনকি কেতিয়াবা ইটালীৰ পৰাও আছে।" এই খেতিয়কসকলৰ কোনেও কেতিয়াও ইটালী দেখা নাই। কিন্তু তেওঁলোকৰ পামসমূহ চলি থাকিবলৈ হ'লে তেওঁলোকে চহৰৰ মানুহৰ বাবে খাদ্য-সামগ্ৰী উৎপাদন কৰিবই লাগিব। তেওঁলোকৰ বাবে কেৱল আলু উৎপাদন কৰিবলগীয়া কথাটোৱেহে জটিলতাৰ সৃষ্টি কৰিছে।

সহকাৰী মেনেজাৰজনে গাঁওবাসীয়ে যাতে ডাঙৰ ডাঙৰ ভাল আলু অধিক পৰিমাণে উৎপাদন কৰে তাৰ বাবে সকলোকে হেঁচা প্ৰয়োগ কৰিলে। খেতিয়কসকলেও তেওঁৰ কথা মতেই হাতে-কামে লাগিল। অধিক পৰিমাণে আলুৰ খেতি কৰিবলৈ ধৰাত কণিধান, ধান, বিভিন্ন ধৰণৰ মাহজাতীয় শস্য, শাক-পাচলি আদিৰ খেতিবোৰ নাইকীয়া হৈ পৰিল। অধিক পৰিমাণৰ ডাঙৰ ডাঙৰ আলু উৎপাদন কৰিবলৈ খেতিয়কসকলে তেওঁলোকৰ পথাৰবোৰত পানী যোগান ধৰিব লগা হোৱাৰ লগতে বিভিন্ন ধৰণৰ সাৰ আৰু ৰঙীন

কীটনাশক প্ৰয়োগ কৰিবলৈ আৰম্ভ কৰিলে। আমি আগতীয়াকৈ খেতি চপাবৰ বাবেও তেনে সামগ্ৰীৰ প্ৰয়োগ আৰম্ভ কৰিলোঁ। মই মোৰ ফালখনেৰে মাটি চহাই আলু খেতি কৰিবলৈ পথাৰখন চহাবলৈ ধৰিলোঁ। কেতিয়াবা মোৰ লগতে খেতিয়কজনো বিবুধিত পৰে। কাৰণ আমি দেখোঁ যে আলু খেতি কেইডৰাত বেমাৰে ধৰিছে আৰু আলুৰ গছবোৰ তাৰ প্ৰকোপত মৰি যাবৰ উপক্ৰম হৈছে । তাৰ বাবে আমি আকৌ অধিক পৰিমাণে কীটনাশক প্ৰয়োগ কৰিলোঁ।

আমাৰ এই মাটিকেইডৰাত কেৱল আলুৰ খেতি কৰাৰ পৰম্পৰাতো একেবাৰে নতুন আৰু আমি সদায় অভ্যাসৰ দাস হিচাপেহে জীয়াই থাকোঁ। এটা সময়ত দেখা গ'ল যে, আলুৰ পাতবোৰৰ গাত কিছুমান ফুটা ফুটা ওলাবলৈ ল'লে আৰু লাহে লাহে সকলো আলুৰ গছ মৰিবলৈ আৰম্ভ কৰিলে! তেওঁলোক সকলোৱে মূৰে-কপালে হাত দিলে, সকলো পাগলৰ দৰে হৈ পৰিল।

খেতি কৰি তেওঁলোকে লাভ কৰা সাফল্য কেনেকৈ এনেদৰে ধ্বংস হ'ব পাৰে? এনে ঘটনাটো পূৰ্বতে কেতিয়াও হোৱা নাই।

"আমাৰ আলু খেতিত দহজোপা, অতি বেছি বিশজোপা গছত এনে বেমাৰ হৈছিল। কিন্তু এনে অৱস্থাৰ সৃষ্টি ক'ৰ পৰা হ'ল? কাৰ খেতিৰ পৰা সকলোৰে খেতিলৈ এই বেমাৰ বিয়পিল?" এজন খেতিয়কে প্ৰশ্ন কৰিলে। "কোনে ক'ব পাৰে কাৰ পৰা বেমাৰ বিয়পিল। সকলোবিলাক আলু দেখোন একে সময়তে মৰি গ'ল।" আন এজনে উত্তৰ দিলে।




“আমি সকলোৱে ফলভোগ কৰিলোঁ।” সকলোৱে একেলগে ক’লে।

তেওঁলোকৰ খাবৰ বাবেও একো নোহোৱা হ’ল। তেওঁলোকে উন্নত জাতৰ ধান বা ঘেহু উৎপাদন হোৱা ঠাইলৈ যাব নোৱাৰে; খোৱা তেল দি পঠিয়াবলৈ ইটালীলৈ চিঠিও লিখিব নোৱাৰে। খাদ্য-ঔদ্যোগিকজনৰ ব্যক্তিগত সচিবৰ সহকাৰী মেনেজাৰজনৰ হাততো ইয়াৰ কেনো উত্তৰ নাছিল। খেতিয়কসকলৰ পৰা এই অৱস্থাৰ পৰিত্ৰাণ বিচাৰি অনবৰতে পাই থকা ফোনৰ বাবে তেওঁৰ মবাইলো আজি বহুদিন ধৰি বন্ধ হৈ আছে।

খেতিয়কজনে এডৰাৰ পিছত এডৰাকৈ নষ্ট হৈ যোৱা খেতিখিনি চাবলৈ ধৰিলে। তেওঁৰ ছোৱালীজনীৰ ধ্বংস হৈ যোৱা গোলাপ ফুলৰ বাগিচাখনলৈও তেওঁৰ চকু গ’ল। তাত দেখিলে আলু খেতিত প্ৰয়োগ কৰা বিভিন্ন ৰঙৰ কীটনাশকবোৰে কেনেদৰে সেইখন উচন কৰি পেলালে। তেওঁৰ মনত ভাব হ’ল- মহানগৰত বাস কৰা সকলৰ জীৱন যদি এই ডাঙৰ ডাঙৰ আলুবোৰে আমাৰ জীৱনত কৈ পৃথক কৰি দিব পাৰে, তেনেহ’লে এয়া নিশ্চয় এক ধৰণৰ অলৌকিক কথা। তেনেহ’লে সেইবোৰে আমাৰো জীৱন নিশ্চয় সলনি কৰি দিব পাৰিব।

তাৰ পিছদিনা খেতিয়কজনে মোৰ ফালখনত লাগি থকা মাটিখিনি আঁতৰাই, চফা কৰি তেওঁৰ ঘৰৰ চুক এটাত মোক থ’লে। পৰিয়ালটো ভাত মুঠি মোকলাবৰ বাবে তেওঁ শিবুক লৈ মহানগৰলৈ বাট ললে। এই মহানগৰীয়েই নিশ্চয় তেওঁক উদ্ধাৰ কৰিব।






## বিশাল মহানগৰখন,

কাষত উপস্থিত হৈ লেজুৰাই তাৰ এক অস্পষ্ট প্ৰতিচ্ছায়া দেখিবলৈ পালে। এক ধৰণৰ ধোঁৱা বৰণৰ অস্বাভাৱিক মেঘে যেন গোটেই মহানগৰখন আগুৰি আছে। আগবাঢ়ি যোৱাৰ লগে লগে সি অতি কদৰ্যময়, ধূলিৰে ভৰপূৰ ঠাই দেখিবলৈ পালে।

অকনো বিৰতি নোহোৱাকৈ ৰাস্তাবোৰত গাড়ী চলি থকা দেখিবলৈ পালে। সেয়া যেন কোনো এক আপেলত লাগি থকা পৰুৱাৰ লানিহে। ৰাস্তাবোৰৰ মাজত থকা ঠাইবোৰত (গোলচক্ৰৰ) কেইজোপামান গছ দেখা পালে। "এয়া বৰ ভাল কথা। মই আৰু গছজোপা বিচাৰি বেছি পলম কৰিব নোৱাৰোঁ।" সি ভাবিলে।


সি বৰ ভাগৰুৱা অনুভৱ কৰিলে, লগতে তাৰ পেটেও কেৰমেৰাই উঠিল; কিন্তু এয়া অনতিপলমে নাইকীয়া হৈ যাব। এই বাবেইটো সি মহানগৰীত উপস্থিত হৈছেহি! এই সপোনপুৰীয়ে তাক দুহাত মেলি আহ্বান জনাইছে আৰু সেই মচমচীয়া আপেল দিবৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ হৈছে।





# গুপ্তধনৰ
# শেষ পৰিণতি





আমি মহানগৰীত উপস্থিত হোৱাৰ পাছৰে পৰা প্ৰত্যেকটো কথাৰে পৰিৱৰ্তন সাধন হৈছে। খেতিয়কজনে কোনো নিৰ্মাণকাৰ্য চলি থকা ঠাইত বনুৱা হিচাপে কাম কৰিবলৈ আৰম্ভ কৰিলে। তেওঁৰ ল'ৰাটোৱে এক গগনচুম্বী অট্টালিকাত কাম কৰা ল'ৰা হিচাপে সোমাল। অ' মই মোৰ নিজৰ পৰিচয়টো দি লওঁ, মই হ'লোঁ এটা লোহাৰ ট্ৰাঙ্ক। কাম কৰা বনুৱা হিচাপে তেওঁলোকক থাকিবলৈ দিয়া জুপুৰিটোৰ মধ্যভাগতে মই থাকোঁ। মোক তেওঁলোকে গাঁওৰ পৰা আহোতে লগত লৈ আহিছিল।

আমি যেতিয়া এই মহানগৰীত প্ৰথমবাৰ আহি উপস্থিত হৈছিলোঁ, তেতিয়া শিবুৰ চকু দুটা বহল হৈ গৈছিল; বিস্ময়ভাব এটা ফুটাই লৈ নগৰখনৰ চাৰিওফালে ঘূৰি ফুৰিছিল।




ৰাষ্টাটোৰ দুয়োফালে থকা বৃহৎ বৃহৎ অট্টালিকাই তাক হতভম্ব কৰি তুলিছিল। ৰাষ্টাৰ কাষে কাষে ওলমাই থোৱা বিজ্ঞাপনৰ হৰ্ডিংবোৰে চকু থৰ কৰি দিছিল।

নিৰ্মাণকাৰ্য চলি থকা ঠাইত থোৱা দীঘল দীঘল কাঠৰ টুকুৰাবোৰৰ পিছফালেই সিহঁতে থাকিবলৈ লৈছিল। এই সকলেই হ'ল বিকশিত মহানগৰখনৰ অদৃশ্যমান শ্ৰমিক। শিবু আৰু তাৰ দেউতাকে মোক সিহঁতক থাকিবলৈ দিয়া ঠাইখনৰ ঠেক ৰাষ্টাটোৰে দাঙি লৈ আনিছিল।

ল'ৰাটো ঘামত জেপজেপীয়া হৈ পৰিছিল যদিও ট্ৰাঙ্কটো উঠাই ল'বলৈ চেষ্টা কৰি বাপেকক কৈছিল "কিহৰ বাবে এই গধুৰ লোহাৰ ট্ৰাংকটো সকলো ঠাইতে লগত লৈ ফুৰিব লাগে? এইটো বহু পুৰণি হৈ গৈছে, মামৰে ধৰিছে আৰু মোক ভাগৰুৱা কৰি তোলে।"


“এইটো বহু পুৰণি যদিও আপুৰুগীয়া। তোৰ ককাদেউতাই বহু বছৰৰ আগতেই কিনিছিল। এইটো কিনিবৰ বাবে তেওঁ সেই সময়তে তেখেতৰ খেতিৰ আধা অংশ খৰচ কৰিছিল।” বাপেকে পুতেকৰ ফোঁপনি দেখিয়েই উত্তৰ দিছিল।

“ এই ট্ৰাঙ্কটোৰ বাবেই তেওঁ ইমান টকা খৰচ কৰিছিল!” শিবুৱে তাৰ মূৰটো জোকাৰি জোকাৰি অবিশ্বাস কৰাৰ দৰে ক'লে।

“অ' এই মজবুত, লোহাৰ ট্ৰাংকটো সিমান দাম দিয়েই কিনিছিল। তেওঁৰ উৎসুক নাতিয়েকেও যাতে এইটোত সম্পদ গোটাব পৰাকৈ দিন যায়, সেই কথাও তেওঁ বিবেচনা কৰিছিল। আজিৰ দিনত বজাৰত পোৱা যিকোনো এটা ট্ৰাঙ্কতকৈ এইটো বেচি মজবুত। তেখেতে এইটো কিনোতে তাৰ কথাও নিশ্চয় ভাবিছিল।” বাপেকে এই বুলি কৈ সিহঁতক থাকিবলৈ দিয়া জুপুৰিটোৰ ভিতৰত মোক থলে।

তুমি যদি মোৰ ভিতৰত কি আছে সেয়া চাব বিচৰা তেতিয়া হ'লে মোৰ গাত লাগি থকা ডাঙৰ তলাটোৰ চাবিটো বিচাৰিব লাগিব। মোৰ পেটৰ ভিতৰত কঠীয়ালৈ থোৱা শস্যৰ চাৰিটা টোপোলা পাবা। এটাত আছে জোৱাৰ, এটাত আছে মাহজাতীয় শস্য, আন এটাত আছে বজৰা। আনহাতে, শেষৰটো টোপোলাত আছে এক বিশেষ ধৰণৰ দাইলৰ বিধান বা সঁচ। উল্লেখযোগ্য যে, এই দাইলখিনি পোৱা গৈছিল কেৱল শিবুহঁতৰ গাঁওখনতহে, তাৰ মাকে মাজে মাজে এইবিধ দাইল ৰান্ধিছিল, বিশেষকৈ পূৰ্ণিমাৰ ৰাতি। অৱশ্যে আজিৰ পৰা ছমাহ মানৰ পূৰ্বেহে শিবুৱে শেষবাৰৰ বাবে সেই দাইলৰ সোৱাদ ল'বলৈ সুবিধা পাইছিল।

নগৰখনত থকা ব্যৱসায়ীসকলক দেখুৱাবৰ বাবেই আমি এই কঠীয়াখিনি লৈ আহিছিলোঁ। তেওঁলোকে যদি এই বীজখিনি পচণ্ড কৰে তেনেহ'লে আমি গাঁওলৈ ঘূৰি গৈ আমাৰ পামত তাৰ খেতি পুনৰ আৰম্ভ কৰিম। এই বীজখিনি বহু মূল্যবান। এয়া আমি এৰি থৈ



অহা গাঁওখনৰ সোঁৱৰণি আৰু তাৰ মাটিখিনিৰ পৈত্রিক সম্পত্তিস্বৰূপ।

আমি চহৰলৈ অহাৰ প্ৰথম সপ্তাহটোত খেতিয়কজনে সুলভ মূল্যৰ (ৰেচনৰ) দোকানৰ পৰা চাউল আৰু আটা সৰু সৰু ঠৈলাত লৈ আনিছিল। তেনে দোকানৰ পৰা ৰেচন কিনিবৰ বাবে তেওঁ প্ৰায় গোটেই দিনটোৱেই এটা দীঘলীয়া শাৰীত ঠিয় দিবলগীয়া হৈছিল আনকি তেওঁৰ কাষতে বাস কৰা পেটুৱা নাপিতজনৰ ডাঙৰ পেটটোৰ হেঁচা খায়ো শাৰীত ঠিয় হৈ থাকিবলগীয়া হৈছিল। ঘৰত মাকে শিকোৱা ধৰণে শিবুৱে তাত ভাত ৰান্ধিছিল, ৰুটী সেকিছিল।

এপাৰ্টমেণ্টত আকৌ সিয়েই বিশেষ ধৰণে উতলাই স্পেগেটী (চেৱই সদৃশ খাদ্যবস্তু) ৰান্ধে, বিভিন্ন ধৰণৰ নতুন নতুন ব্যঞ্জনৰ নাম শিকিলে আৰু পাউচত অহা আইচক্ৰীম দেখিলে। আইতা ঘৰত নাথাকিলে ঘৰৰ কোনেও পৰম্পৰাগত খাদ্য খাব নিবিচাৰে। তেতিয়া সি সকলোখিনি আহাৰ এক বিশেষ ধৰণে মাইক্ৰৱেভত প্ৰস্তুত কৰিবলগীয়া হয়।



সি এতিয়াও বহু কথা শিকিবলগীয়া আছে। আৰু বহু ধৰণৰ ব্যঞ্জন ৰান্ধি চাবলগীয়া আছে। এই কথাবোৰ ৰাতি ভাত খাই থাকোঁতে সি বাপেকক কয়।

"পিতাই! শাক-পাচলি নানিলে নেকি?"

"সুলভ মূল্যৰ দোকানত শাক-পাচলি পোৱা নাযায়। তাতে বজাৰত আজি শাক-পাচলিৰ দাম বহু বেছি।"

"আপুনিও শাক-পাচলিৰ খেতি কৰিছিল বুলি তেওঁলোকক নক'লে কিয়?"

"মূৰ্খৰ দৰে কথা নকবি শিবু।" বাপেকক মানসিকভাৱে বিপৰ্যস্ত যেন দেখা গ'ল।

"জোৱাৰ নাপালে নেকি? তাৰ দামতো কম।"

"মই দোকানৰ মুখ পোৱালৈকে তাত কেৱল চাউল আৰু আটাহে বাকী আছিল। বহু সময় ৰ'বলগীয়া হৈছিল। এতিয়া তই বাৰু মনে মনে ভাত খাবিনে?"

পিছ দিনা শিবুৰ বাপেকে ট্ৰাঙ্কটো খুলি তাত থকা কঠীয়াখিনি লগত লৈ বজাৰলৈ গ'ল। সেয়া তেওঁ ব্যৱসায়ীসকলক দেখুৱালে। তেওঁ গৰ্বিতভাৱে ব্যৱসায়ীসকলক জনালে যে এই বিশেষ দাইল বিধৰ খেতি কৰা অন্তিম খেতিয়কসকলৰ ভিতৰত তেৰো এজন। ইয়াৰ পৰা প্ৰস্তুত কৰিব পৰা কেইবিধমান খাদ্য প্ৰণালীৰ বিষয়েও তেওঁ বৰ্ণনা কৰিলে। কিন্তু বেপাৰীজনে তেওঁক ধন্যবাদ জ্ঞাপন কৰি ক'লে যে, এতিয়া আৰু মহানগৰৰ কোনেও এনে খাদ্য নাখায়; তেওঁ বাৰু কেৱল সূৰ্যমুখী ফুলৰ খেতি কৰিব নেকি? শিবুৰ বাপেকে বেপাৰীজনৰ মুখলৈ তধা লগাৰ দৰে চালে আৰু ক'ব নোৱাৰাকৈয়ে হাতত টোপোলাকেইটা লৈ গুচি আহিল।

এই মাহত ৰেচনৰ দোকানখনলৈ শিবু গৈছিল বজাৰ কৰিবলৈ।


"আপুনি বাৰু জোৱাৰ বিক্ৰী নকৰে নেকি? আৰু বজৰা?" বাতৰি কাকতখনেৰে সন্মুখভাগ ঢাকি ৰখা দোকানীজনক শিবুৱে প্ৰশ্ন কৰিছিল।

"নাই, কেৱল চাউল, আটা, চেনী আৰু কেৰাচিন।"

"কণিধান? কেৱল ভাত খাই খাই আপোনাৰ বাৰু আমনি লগা নাইনে?"

দোকানীজনে চচমাজোৰ তললৈ নমাই তাক ভালদৰে লক্ষ্য কৰি ক'লে-

"সুলভ মূল্যৰ দোকানৰ পৰা ৰেচন কিনা মানুহৰ এনে খাদ্য খাই আমনি লাগিব



নোৱাৰে। বুজিছা! আৰু তোমাৰ যদি ইমানেই আপত্তি আছে তেনেহ'লে নিজে খেতি নকৰা কিয়?"

" এই মহানগৰৰ মানুহবোৰে কেৱল আলু খাবলৈ লোৱাৰ আগলৈকে আমি খেতিয়েই কৰিছিলোঁ।"

"কি যে আচৰিত ল'ৰা!" এইবুলি দোকানীজনে তালৈ আচৰিত ধৰণে এবাৰ চাই পুনৰ বাতৰি কাকতখনত মন দিয়ে।

এপাৰ্টমেণ্টত বাস কৰাসকলৰ বাবে বজাৰ কৰিবলৈ শিবুৱে হাতত এখন দীঘল বজাৰৰ তালিকা লৈ অসাধাৰণ চুপাৰ মাৰ্কেটখনত ঘূৰি ফুৰিছে। এই চুপাৰ মাৰ্কেটখনত থকা সামগ্ৰীসমূহৰ বেছিভাগেই বেলেগে ৰান্ধিবৰ কোনো প্ৰয়োজন নাই আৰু এইবোৰৰ দাম শাক-পাচলি আৰু ফলমূলতকৈ বহু কম। সি ইয়াত দেখিছে যে, বেছি ভাগ খাদ্যবস্তুৱেই সৰু সৰুকৈ পেকেট কৰা থাকে। কাৰণ, এই মহানগৰীত বাস কৰা প্ৰাপ্তবয়স্ক মানুহখিনিয়ে আৰামেৰে বহি ক'তো খাদ্য গ্ৰহণ নকৰে, তেওঁলোকৰ একেবাৰে সময়ৰ অভাৱ। পুৱাৰ আহাৰ থাকে কাপত, জলপাই খাই স্নেক বাৰত, কফি লাউঞ্জত, ৰাতিৰ সাজ খায় শেইক (shakes) হিচাপে।

আনহাতে শিশুবিলাকৰ বাবে বহু ডাঙৰ ডাঙৰ পেকেটত (আমাৰ গাঁওৰ পিনে ধান থোৱা সৰু ডুলি একোটাৰ সমান) থাকে মিঠা মিঠা বস্তু আৰু চিপচ্। চুপাৰ মাৰ্কেটখনত এই সকলোবোৰ দেখি শিবুৰ মনত বিস্ময়ৰ সৃষ্টি হয়। ইয়াৰ পাছত বাৰু চুপাৰ মাৰ্কেটখনৰ চেলফত কি নতুন খোৱাবস্তু আহিব; সি মাজে মাজে তাকে ভাবি থাকে। কেতিয়াবা কেতিয়াবা মনতে ভাবে- তাহাঁতৰ সেই বিশেষ দাইল বিধে আৰু ইয়াত স্থান পাবনে?

এপাৰ্টমেণ্টত থকা সৰু ল'ৰাটোক খাবলৈ দিয়া ফল সি নাখালে শিবুক ঘৰলৈ লৈ যাবলৈ দিয়ে। বন্ধা কবিৰ পাতবোৰ গেলিলে তাত থকা আইতাগৰাকীয়ে সেয়াও তাক লৈ যাবলৈ দিয়ে। কিন্তু শিবু আৰু তাৰ দেউতাকে এসময়ত সিহঁতৰ গাঁওত তেনে পাচলিৰ খেতি কৰিছিল আৰু সতেজ হৈ থাকোঁতেই খাইছিল।

সেইদিনা আছিল পূৰ্ণিমা। আইতাই এপাৰ্টমেণ্টত থকা গোটেই পৰিয়ালটোৰ সুন্দৰ ভৱিষ্যতৰ বাবে ব্ৰত ৰাখিছিল। আজি এপাৰ্টমেণ্টৰ আন আবাসীসকলৰ বাবেও বিশেষ ৰান্ধিবলগীয়া নাই। শিবুক সোনকালে ঘৰলৈ পঠিয়াই দিয়া হ'ল। কিন্তু সেইদিনা তাহাঁতৰ চৰুত বহাবলৈ ঘৰখনত খুদকণো নাছিল। সি তাৰ দেউতাকৰ বাবে বৈ আছিল। এনেতে তাৰ চকু পৰিল মোৰ ওপৰত। সি চাবিটো বিচাৰি তলাতো খুলি তাত থকা দাইলখিনি উলিয়ালে। এইখিনি আছিল নিজৰ খেতিডৰাত উৎপাদন হোৱা দাইলৰ অন্তিম ভাগ।

"আজি ৰাতিৰ বাবে কি ৰান্ধিছ শিবু?" বাপেকে ঘূৰি আহি ঘৰ সোমায়েই তাক সুধিলে।

"এয়া আমাৰ দাইলখিনি পিতাই" শিবুৱে সাধাৰণভাৱে উত্তৰ দিলে।


“মই গম পাইছিলোৱেই, কাৰণ আমাৰ গলিটোৰ মুখৰ পৰাই মই তাৰ চিনাকি গোন্ধ পাইছিলোঁ।”

বাপেকৰ কথা শুনি শিবু আচৰিত হ’ল। সি ভাবিছিল যে এনে কৰাৰ বাবে বাপেকৰ খং উঠিব আৰু তাক.... ....এৰা সিহঁতক সিহঁতৰ পামখনলৈ ঘূৰাই লৈ যাব পৰা একমাত্ৰ শস্যখিনিও এতিয়া তাৰ কেৰাহীখনত! তাৰ দেউতাকক অতি ভাগৰুৱা যেন দেখা গ’ল। অৱশ্যে এতিয়া আৰু কোনো বেপাৰীয়েই সিহঁতক লজ্জিত কৰিব নোৱাৰে! এৰা, অপমান কৰিব নোৱাৰে!...

“পিতাই! কথা এটা কওঁ। আপুনি মোক খং নকৰিব। মই সিদিনা এপাৰ্টমেণ্টৰ বাবে কিনা ফলমূলৰ পৰা বৰ দামী আপেল এটা চুৰ কৰিছিলোঁ। তাত ষ্টিকাৰ লগোৱাও আছিল।”

“আৰু সেইটো তই ইতিমধ্যে খালি।” বাপেকে শিবুৰ চকুত চকু থৈ সুধিলে আৰু লগে লগেই সি তলমূৰ কৰাত তাৰ উত্তৰ পালে।” এয়া টকা ল’ আৰু তেনে আপেল এটা কিনি তাত থৈ দিবিগৈ।”

মহানগৰীত থাকোঁতে সিহঁতৰ যেতিয়াই বৰ অসুবিধা হয় তেতিয়াই মোৰ ভিতৰত সাঁচলৈ ৰখা শস্যসমূহ শিবু আৰু তাৰ দেউতাকে খাবলৈ ল’লে। কিন্তু মইটো আৰু মোৰ ভিতৰখন খালি কৰি ৰাখিব নোৱাৰোঁ। কেতিয়াবা মোক লুডু বা পাঞ্জা খেলৰ টেবুল হিচাপে ব্যৱহাৰ কৰে আৰু কেতিয়াবা কাকত থ’বলৈ। আজিকালি তেওঁলোকে মহানগৰীৰ পৰা গাঁওলৈ বিভিন্ন ধৰণৰ বস্তু নিবলৈ মোকে ব্যৱহাৰ কৰে। মোৰ ভিতৰত ভৰাই গাঁওলৈ লৈ যায়- গৰম কাপোৰ, বাচন-বৰ্তন, নতুন নতুন ধৰণৰ পুতলা, চিনেমাৰ পোষ্টাৰ আদি। কিন্তু আজিকালি তেওঁলোকে আৰু মোক তলাবন্ধ কৰি নাৰাখে।





লেডুয়াই

বিচাৰি পালে

সেই গছ

লেজুৰা আহি মহানগৰীৰ মাজমজিয়াত উপস্থিত হোৱাৰ সময়টো আছিল আবেলি। সেই সময়তো মাজৰাস্তাত বহি থকা গৰুজনীয়ে বৰ আৰামেৰে কিবা এটা পাগুলি আছিল, পাৰ চৰাইবোৰে সৰু সৰু গলি বোৰত উৰি ফুৰিছিল, এজন আমনিদায়ক মানুহে মধুৰিআম বেছি আছিল আৰু তেওঁৰ গাড়ীখনত থকা মধুৰিআমবোৰত মাখিয়ে ভেন্‌ভেনাই আছিল।

লেজুৰাই এতিয়ালৈকে মহানগৰখনত কেৱল কেইডালমান হে গছ দেখা পাইছে; কিন্তু সি সেইবোৰত কোনো ধৰণৰ ষ্টিকাৰৰ ছাঁটোকে বিচাৰি পোৱা নাই। তাৰ কাণত লগাই থোৱা সেই আপেলৰ ষ্টিকাৰটোৰ আঠা কমি যোৱাৰ দৰে, লাহে লাহে তাৰ আত্মবিশ্বাসো কমি আহিবলৈ ধৰিছে।

সেই ষ্টিকাৰ লগোৱ গছবোৰ লুকাই পৰিলে নেকি? কেৱল কিছুমান গোপনীয় ঠাইতহে সেয়া পোৱা যায় নেকি? যিবোৰ গুটি নথকা আঙুৰৰ খেতি কৰে তেওঁলোকেহে এই বিষয়ে জানে নেকি? কথাতো বাৰু তেনেকুৱাই নেকি? হঠাৎ লেজুৰাৰ কাণত পৰিল এক বিকট শব্দ আৰু তাৰ চিন্তাৰ সূত্ৰডাল চিগি গ'ল। সি বাস্তৱলৈ উভতি আহিল।



এনেতে সি দেখিলে যে, এখন ট্ৰাক তাৰ ফালেই তীব্ৰ বেগেৰে আহি আছে। তাৰ বুকুখন চিৰিং কৈ উঠিল। এই ষ্টিকাৰ লগা গছ বিচাৰি আহি আওমৰণে মৰিবহে লাগিব নেকি! তাৰ লগে লগেই সি সেই সম্ভাব্য বিপদৰ পৰা হাত সাৰিবলৈ এটা দীঘল জাপ মাৰিলে।

দুৰ্ঘটনাৰ পৰা ভাল বাচিলোঁ বুলি ভাবি সি এটা দীঘল উশাহ ল'লে। এনেতে দেখিলে যে সেই ট্ৰাকখন আহি কাচেৰে ঢাকি ৰখা, দেখাত কুহেলিকাময়ী যেন লগা এটা অট্টালিকাৰ সন্মুখত ৰ'লহি। সি সেই অট্টালিকাটোৰ ডাঙৰ দুৱাৰখনৰ ফাকেদি সেয়া কি দেখিছে...
... সেয়া দেখোন গাড়ীখনৰ পৰা খাণ্ডে খাণ্ডে আপেল নমাইছে। চিকচিকীয়া, মচমচীয়া আপেল! প্ৰতিটোৱেই সমান ৰঙা, সম পৰিমাণে গোল, ধুনীয়া আপেল আৰু ষ্টিকাৰ লগাই বান্ধি থোৱা আছে।

কি যে আশ্চৰ্যজনক পট পৰিৱৰ্তন। কিছু সময়ৰ আগেয়ে মই ঠিক যমৰ দুৱাৰ পাইছিলোঁৱেই। আৰু এতিয়া, মই ঠিয় হৈ আছোঁ মোৰ ঈপ্সিত লক্ষ্যৰ সন্মুখত। ট্ৰাকখনৰ পৰা নমোৱা আপেলৰ প্ৰতিটো খাণ্ডেই লেজুৱাৰ উন্মাদপ্ৰায় আশাত সাৰপানী যোগালে।
সি অট্টালিকাটোৰ পিছফালে থকা দুৱাৰখনেদি ভিতৰত প্ৰৱেশ কৰিলে, সেই দৰ্জাখনত লিখা আছিল-




লেজুৱা আহি এটা দীঘলীয়া আকৃতিৰ কোঠাত উপস্থিত হ'লহি। চাৰিও ফালে চকু ঘূৰাই দেখিলে- ইয়াত সি কল্পনা কৰিব পৰাতকৈ বহু বেছি ফলমূলেৰে ভৰি আছে। বিভিন্ন ধৰণৰ পকা পকা, তেজাল ফলমূল দেখি তাৰ মূৰ ঘূৰাই গ'ল। কোনেও চুই নোপোৱা আপেল আৰু ইয়াত খাবলৈও কোনো নাই। তাৰ পেটে কেৰমেৰাই উঠিল। কিছু সময়ৰ বাবে সি সকলো কথা পাহৰি গ'ল, আনকি ষ্টিকাৰ লগা গছজোপাৰ বিষয়েও। তাৰ মূৰত এতিয়া কেৱল পেটৰ কথাটোৱেহে প্ৰাধান্য পালে।



সেই সময়তে, দুৱাৰখন কাণিদুৱৰীকৈ মেল খালে আৰু এটা সৰু ল'ৰা সেইফালেদি, নিঃশব্দে এই কোঠাটোৰ ভিতৰত প্ৰৱেশ কৰিলে। ল'ৰাটো আছিল শিবু। অ' ক'বলৈ পাহৰিছিলোঁৱেই- এইটো আচলতে চুপাৰ মাৰ্কেটখনৰ ভঁৰাল গৃহ। সি আপেল থোৱা ঠাইখিনিলৈ আগবাঢ়ি আহিল। এপাৰ্টমেণ্টৰ পৰা চুৰ কৰি খোৱা আপেলটো পুনৰ ঘূৰাই দিবৰ বাবেই আপেল এটা নিবলৈ সি ইয়াত প্ৰৱেশ কৰিছে। এই চুপাৰ মাৰ্কেটখনত আপেলবোৰ চাৰিটা চাৰিটাকৈ একগোট কৰি বিক্ৰী কৰা হয়। ইমানকেইটা আপেল একেলগে কিনিবলৈ তাৰ হাতত ধনৰ অভাৱ। ইয়াৰ পৰা এটা আপেল লৈ আপেলৰ খাঙটোৰ ওপৰতে বাপেকে দিয়া টকা কেইটা থৈ যোৱাৰ সিদ্ধান্ত লৈয়েই তাৰ ইয়াত প্ৰৱেশ ঘটিছিল।

সি আপেল এটা ল'বলৈ হাত মেলিলে, অনুভৱ কৰিলে তাৰ হাতখন কোনো এক নোমাল হাতৰ ওপৰত পৰিল। লেজুৱাই খাবলৈ ল'ব বিচৰা মচমচীয়া আপেলটোতেই গৈ তাৰ হাতখন পৰিছিল। দুয়োটাৰ হাত একেটা আপেলত পৰাত দুয়ো উচপ খাই উঠিছিল। সিহঁতে অনুভৱ কৰিছিল যে দুয়োটাৰে হাত দুখন চেঁচা পৰি আহিছে আৰু দুয়ো দুয়েৰে চকুলৈ একেথৰে চাই আছে। কিন্তু পুনৰ এটা শব্দ হোৱাত সিহঁতৰ তন্ময়তাৰ ভংগ হ'ল।



সিহঁতে দেখিলে যে, ভঁৰালটোৰ দুৱাৰখন খোল খাইছে আৰু তালৈ দুজন মানুহ সোমাই আহিছে। দুয়ো উচ্চস্বৰে কিবা অসংলগ্ন কথা পাতি আহিছিল।

"এয়া কি? ঐ ল'ৰা, তই ক'ৰ পৰা ইয়াত সোমালি?" এজনে শিবুক চোলাৰ কলাৰত ধৰি প্ৰশ্ন কৰিলে।

"দেখিছা সি তাৰ লগত আৰু এটাক লৈ আহিছে। তহঁত একোটা মূৰ্খ জীৱ দেই। এই বান্দৰটোক যদি আমাৰ গ্ৰাহকবোৰে দেখে, সিহঁতে বাৰু এই ফলবোৰ কিনিবনে? এই সকলোবোৰ পেলাই দিব লাগিব।" আনটোৱে ক্ৰুদ্ধভাৱে গৰ্জন কৰি উঠিল।

"আচলতে কথাতো তেনে নহয়। মই ইয়াত চোৰ কৰিবলৈ সোমোৱা নাই। মোক আপোনালোকৰ আপেল নালাগে। মই এজন খেতিয়কৰ ল'ৰা। এয়া, ইয়াৰ দাম লওঁক।" শিবুৱে প্ৰতিবাদ কৰি টকা কেইটা উলিয়াই দি ক'লে।

"মাউৰত মৰা! তই কাৰ ল'ৰা সেয়া আমাৰ বিচাৰ্য বিষয় নহয়।" মানুহ দুজনৰ শকতজনে তাৰ হাতৰ পৰা টকাকেইটা লৈ ক'লে। "তোৰ যদি লাজ থাকিলেহেঁতেন, তেনেহ'লে তই পিছফালেদি মনে মনে এনেদৰে, ভঁৰালৰ পৰা আপেল চোৰ কৰিবলৈ নোসোমালিহেঁতেন। সন্মান সহকাৰে আগফালেদি আহি কিনিলিহেঁতেন। ৰ' মই পুলিচক খবৰ দিওঁ।"

এই বুলি কৈ সি লেজুৰাৰ ফালে ঘূৰিল। লেজুৰাই ইতিমধ্যে আপেলৰ খাণ্ডকেইটাৰ কাষতে থকা খুটাটোৰ কাষত অৱস্থান কৰিছিল।

"এই বান্দৰটোক চা, তাৰ আঙুলি কেইটা কেনেদৰে অস্বাভাৱিকভাৱে দীঘল।" আনজনে মন্তব্য কৰিলে। "তাৰ কাণৰ পিছফালে সেয়া কি লাগি আছে। অ' সেয়া দেখোন ফলত লগোৱা ষ্টিকাৰ। তাৰমানে সি ইতিমধ্যে চুৰ কৰিলেই। সি তাৰ লগৰ জাকটোক ইয়ালৈ মাতি অনাৰ আগতেই বন্যপ্ৰাণী নিয়ন্ত্ৰণ কৰা বিভাগলৈ ফোন কৰ। ইহঁতক এসেকা দিয়া উচিত।" সি তীব্ৰভাৱে লেজুৰালৈ চাই ক'লে।







এই কথা শুনি লেজুৰা স্তম্ভিত হৈ পৰিল! এই ষ্টিকাৰটো সিটো চুৰ কৰা নাই, লগত লৈ আনিছে। এয়া সি বকৰাণিৰ পৰা লৈ আহিছে আৰু এই ষ্টিকাৰটোৱেই তাক এইখিনিলৈ আহিবলৈ অনুপ্ৰেৰণা যোগাইছিল। তাৰ খঙো উঠি আহিছিল। সি কাণৰ পৰা ষ্টিকাৰটো এৰুৱাই ল'লে।

মানুহজনে তাক ধৰিবলৈ হাত মেলিলে। অৱশ্যে তাৰ আগতেই সি জাপ মাৰি আঁতৰি গৈছিল। সি ফলমূল থকা খাঙবোৰৰ ওপৰেদি জপিয়াই জপিয়াই দুৱাৰখনৰ ফালে গৈ আছিল। তেনে কৰোঁতে খাঙবোৰ বাগৰি পৰি গোটেই মজিয়াখনতে ফলবোৰ সিঁচৰতি হৈ পৰিছিল আৰু তাৰে দুই এটা পেটেকা পৰিছিল। এনেদৰেই গোটেই ভঁৰালটোৰ অৱস্থা নাইকীয়া হৈ পৰিল।

শিবুৱেও তাক ধৰি থকা মানুহজনক গতা মাৰি দি দুৱাৰখনৰ ফালে দৌৰ মাৰিলে। পিছে পিছে মানুহ দুজনেও খেদা ল'লে। অৱশ্যে লেজুৰা আৰু শিবুতকৈ সিহঁত বহু পিছ পৰি ৰ'ল, কাৰণ সিহঁত শকত আছিল।





সিহঁতে দৌৰি
যাওঁতে পেটেকা কৰা কল আৰু
বেৰীজাতীয় (Berry) ফলত পিচল খাই পৰে আৰু
পিচলি পৰা শব্দই গোটেই ভঁৰালটোত কম্পনৰ সৃষ্টি কৰে। অৱশ্যে
এই শব্দ ব্যস্ত চুপাৰ মাৰ্কেটখনৰ আন কোনেও শুনা নাছিল। সিহঁতে শিবুৰ চোলাৰ কলাৰত আৰু লেজুৰাৰ নেজডাল প্ৰায় ধৰিছিলেই; কিন্তু তাহাঁতৰ সকলো প্ৰচেষ্টা অথলে গ'ল।



শিবু আৰু লেজুৰা আহি দুৱাৰমুখ পালেহি আৰু দুয়ো দুৱাৰখন খুলি বাহিৰৰ ৰাস্তাত উপস্থিত হ'ল। সিহঁতে প্ৰায় পিছলৈ ঘূৰি নোচোৱাকৈয়ে নিজৰ নিজৰ ঘৰৰ ফাল লৰ ধৰিলে। সিহঁতে সেই ভঁৰালটোত একেবাৰে শেষত দেখা পোৱা বস্তুটো হ'ল দৰ্জাখনত থকা এটা চিহ্ন। চিহ্নটো আছিল একেবাৰে টিক্‌টিকীয়া ৰঙা ৰঙৰ। কোনো ধৰণৰ ভাল কামৰ বাবে নোহোৱা ষ্টিকাৰবোৰৰ লগত সেইটোৰো কোনো পাৰ্থক্য নাই।

"তই তেনেহ'লে ঘূৰি আহিলি। মহানগৰীলৈ গৈ কি দেখিলি ?" পিছদিনাখন ৰাতিপুৱা বয়োবৃদ্ধ মলুৱাই স্থিৰ দৃষ্টিৰে লেজুৰালৈ চাই প্ৰশ্ন কৰিলে।



"মই চাগৈ ভুল ঠাইত বিচাৰি ফুৰিছিলোঁ, মই গছজোপা ক'তো বিচাৰি নাপালোঁ।" লেজুৰাই ক'লে। তাৰ দুখী দুখী ভাবৰ উত্তৰ শুনি বয়োবৃদ্ধ মলুৰাই তাৰ কান্ধত হাতখন দি ক'লে।

"ষ্টিকাৰ বৰ শক্তিশালী বস্তু, হয়নে নহয়? চা, ই তোক কি যে নকৰিলে। ইয়াৰ বাবেই তোৰ বোধ হ'ল যে আন আপেলবোৰতকৈ সেইটো আপেল ভাল, উৎকৃষ্ট। ইয়াৰ বাবেই তই তোৰ ঘৰৰ পৰা সেই অদ্ভুত গছজোপা বিচাৰি ওলাই গলি। এনে এটা সময়ত গৈছ, যিটো সময়ত তোৰ কাষৰে গছবোৰ কেৱল একো একোটা মূঢ়ালৈ ৰূপান্তৰিত হৈছে। আচলতে চাগৈ তোৰ এই সন্ধান কেৱল সেই ষ্টিকাৰ লগা গছৰ বাবে নহয়।"

"তেনেহ'লে সেয়া কিহৰ বাবে ককা।"

"আপেলটোৰ পৰা তই কি পাব বিচাৰিছ তাৰ লগত হে ইয়াৰ সম্পৰ্ক আছে। ষ্টিকাৰ লগোৱাৰ লগে লগেই সি হৈ পৰিব চিকচিকীয়া, মচমচীয়া আৰু যদি তাত ষ্টিকাৰ লগোৱা নাথাকে তেতিয়া হ'লে সি হৈ পৰিব সাধাৰণ আপেল। এয়া আচলতে মানসিকতাৰ লগত সম্পৰ্কীত।

সেই ষ্টিকাৰবোৰত লিখা কথাবোৰ চাগৈ বেলেগ বেলেগ ধৰণে পঢ়িব পাৰি আৰু তাত লিখা ভাষাটোও সকলোৱে বুজি নাপায়, পঢ়িব নোৱাৰে।



কিন্তু এটা কথা ঠিক যে, আ পেল আপেলেই আৰু সকলোৰে বাবে ই একেই। আপেলৰ খেতি কোনে কৰিছে, আপেলৰ গছ কোনে দেখিছে বা আপেল কোনে খাইছে সেই কথা কোনেও মনত নাৰাখে। এইটোৱেই আটাইতকৈ সৰ্বশ্ৰেষ্ঠ আপেল, আমি এই আপেলটো বেলেগ ধৰণে উৎপাদন কৰিছোঁ বুলি কোনেও তাত ষ্টিকাৰ লগাই দি তোৰ মনত বোধ জন্মাব নোৱাৰে।

আমি সদায় আমাৰ খাদ্য উৎপাদন কৰিব নোৱাৰোঁ, যি সকলে আমাৰ বাবে খাদ্য উৎপাদন কৰে আমি তেওঁলোকৰ কৰুণাৰ ওপৰতে নিৰ্ভৰশীল। কিন্তু আমি আৱৰ্জনাময়ী পৰিৱেশত থাকিও খাদ্যৰ কথা ক'ব পাৰোঁ, যেনেদৰে এতিয়া আমি এই বকৰাণিত বহি কথা পাতি আছোঁ। মই পণ্ডিত নহয়, তথাপিও ইমান দিনৰ অভিজ্ঞতাৰ পৰা এটা কথাই ক'ব পাৰোঁ যে, ষ্টিকাৰবোৰ আমাৰ খাদ্যৰ আৱৰ্জনাহে, সেইবোৰ কেতিয়াও সম্পদ হ'ব নোৱাৰে বা নহয়। আৰু তাত লিখা কথাবোৰ যদি সকলোৱে পঢ়িব পাৰে তেতিয়াও কিন্তু একধৰণৰ অথন্তৰেই হ'ব। আনকি চিকচিকীয়া, মচমচীয়া আপেলবোৰো দেখা পোৱাৰ দৰে বিশেষ ধৰণৰ নহ'বও পাৰে।"

"যিয়েই নহওক এয়া এক ধৰণৰ ৰোমাঞ্চকৰ অভিজ্ঞতা নহয় নে বাৰু।" বহু সময়ৰ মূৰত লেজুৱাই উত্তৰ দিলে।

"মই অতি আনন্দিত যে, তাই বাহিৰৰ পৃথিৱীখনৰ ভু লৈ আহিলি। এই বকৰাণিখন আচলতে নতুন সৃষ্টিৰ বাবে ভাল ঠাই নহয়; কিন্তু ইয়াতো নতুন সৃষ্টিৰ পাতনি হ'ব পাৰে। আমাৰ ভাল দিন আহি আছে, সেয়া চা।"

বয়োবৃদ্ধ মলুৱাই গছৰ মুঢ়া এটাৰ ফালে আঙুলিয়াই দেখুৱালে। লেজুৱাই ইতিমধ্যে মৃত বুলি ভবা গছৰ মুঢ়াটোৰ ফালে চাই দেখিলে যে, সেই গছৰ মুঢ়াটোৰ গাত সেউজীয়া বৰণৰ কলি এটা ওলাইছে।

"এইজোপা কি গছ ককা?"

"তই কি গছ বুলি ভাব?" বৃদ্ধ মলুৱাই বুদ্ধিদীপ্ত হাঁহি এটা মাৰি সুধিলে।

"এইজোপা আপেলৰ গছ।"



লেজুৰাই তাৰ কাণত ষ্টিকাৰৰ পৰা লাগি থকা আঠাৰ অৱশিষ্টখিনিও মোহাৰি পেলালে। সি অৱশেষত গছজোপা বিচাৰি পালোঁ বুলি সন্তুষ্টি লভিলে। অৱশ্যে তাক ষ্টিকাৰ লাগেনে নালাগে সেই বিষয়ে সি তেতিয়াও নিশ্চিন্ত নহয়। সিহঁতে চকুৰে দেখাতকৈ অধিক কিবা এটাৰ অনুভৱ কৰিলে। কিন্তু এইজোপা আপেল গছৰ কোনো ধৰণৰ গোপনীয়তা নাই, কেৱল লাহে লাহে নতুন সৃষ্টিৰ সৌন্দৰ্যৰ বাট মুকলি হৈছে। ই যেন জীৱিত সকলোধৰণৰ জীৱলৈকে তাৰ দুহাত মেলি দিছে। এই গছজোপাত এসময়ত ফল ধৰিব, কোনোটো সৰু, কেনোটো ডাঙৰ, কোনোবাটো চিকচিকীয়া, কোনোবাটো নহয়। কোনো সন্দেহ নাই যে, এই গছজোপাৰ কিছুমান ফল সেই চুপাৰ মাৰ্কেটখনলৈ লৈ যোৱা হ'ব আৰু আন কিছুমান এই বকৰাণিতে সৰি পৰিব।

পৃথিৱীখনৰ আৱৰ্তন সি বন্ধ কৰিব নোৱাৰে। প্ৰত্যেক দিনাই এই বকৰাণিখনতো কিবা নহয় কিবা এটা পৰিৱৰ্তন আৰু পৰিবৰ্ধন সংঘটিত হৈছে। ইয়াৰ সৈতে তাল মিলাই চলিবলৈ সি আৰু ঘৰৰ পৰা বৰ বেছি দূৰলৈ যাব নালাগিব। তাৰ প্ৰয়োজন কেৱল অল প শিক্ষাৰ। সেয়া সি আহৰণ কৰিব পাৰিব এই বয়োবৃদ্ধ মলুৱাৰ পৰা। তেওঁৰ পৰাই জানিব লাগিব এই বকৰাণিৰ গুৰুত্ব; হয়তো ইয়াত এতিয়াও এনে কিছুমান সম্পদ লুকাই আছে যিবোৰ এতিয়াও আৱিষ্কাৰ হোৱা নাই। শলাগ ল'ব পৰা যি কোনো ধৰণৰ সোণসেৰীয়া প্ৰাকৃতিক দানত কোনো ধৰণৰ ষ্টিকাৰৰ প্ৰয়োজন নাই।

ষ্টিকাৰ লগা গছজোপাৰ বাৰু কি হ'ল? প্ৰত্যেক দিনাই এই গছজোপা অলপ অলপ কৈ বাঢ়ে। সি বিচাৰি পোৱা সকলো সামগ্ৰীৰ ওপৰতেই তাৰ ষ্টিকাৰবোৰ সৰি পৰে; কিন্তু যিবোৰ ডালত ষ্টিকাৰ লাগে সেই ডালবোৰ অস্বাভাৱিকভাৱে বহু ওখ হৈ গ'ল; এতিয়া সেয়া আৰু ঢুকি পাব পৰা অৱস্থাত নাই। এই গছজোপাত ষ্টিকাৰ, লেবেল আৰু চিহ্ন দিয়া কাগজ (Marker) ইমান ডাঠকৈ লাগিল তাত চৰাইবোৰেও বাহ সাজিব নোৱাৰা হ'ল।

কেতিয়াবা বাৰু গছত নিৰাপদে বাহ সাজিব পৰা অৱস্থা এটা ঘূৰি আহিবনে? এই কথা ক'ব পাৰিব কেৱল পৰৱৰ্তী প্ৰজন্মৰ ঘৰ নথকা, বাহ নথকা চৰাইৰ জাকবোৰেহে।

চুপাৰ মাৰ্কেটখনৰ সামগ্ৰীবোৰৰ গাত লগাই থোৱা লেবেলবোৰত লিখা থকা মূল্যই বাৰু ষ্টিকাৰ গছজোপাৰ ডালবোৰৰ উচ্চতাত উপৱিষ্ট হ'ব পাৰিবনে? নাইবা খেতিয়কসকলে স্থানীয়ভাৱে উৎপাদন কৰা শস্য বিক্ৰী কৰিবলৈ আহি দাম-দৰ কৰিব পৰা অৱস্থা এটা ঘূৰি আহিবনে? আইতাই বজাৰ কৰিবলৈ লৈ যোৱা মোনাখনে সুধিলে।

কেতিয়াবা বাৰু নাঙেলেৰে শিৰলু সৃষ্টি কৰি পথাৰৰ মাটিবোৰ চহাব পৰা যাবনে নাইবা মাটিত পৰি থকা কেৱল সূৰ্যমুখী ফুলৰ খেতিবোৰ নাইকীয়া হ'বনে? মহানগৰীৰ পৰা খেতিয়কসকল গাঁওলৈ ঘূৰি আহিলেহে আমি সেই কথা জানিব পাৰিম।

প্ৰত্যেক পূৰ্ণিমাত শিবুৱে বাৰু বাটিয়ে বাটিয়ে তাৰ প্ৰিয় সেই বিশেষ দাইলবিধ খাবলৈ পাবনে? সেই পুৰণি মামৰে ধৰা লোহাৰ ট্ৰাঙ্কটোৱে আশা কৰে যে, খেতিয়কৰ ল'ৰাজনে যাতে কেতিয়াও আৰু আপেল এটা চুৰ কৰি খাবলগীয়া নহয়।

চিকচিকীয়া, মচমচীয়া ষ্টিকাৰ লগোৱা আপেলটোৱেও হয়তো বহু দূৰ বাট ভ্ৰমণ কৰিছে; সি এই ভ্ৰমণ কালত লগ পাইছে ভিন ভিন সামগ্ৰীক। বকৰাণিত উপস্থিত হৈ তাত বাস কৰা বহু উৎসুক্য বান্দৰক মহানগৰীৰ নতুন নতুন, পূৰ্বতে কেতিয়াও নোকোৱা সাধু শুনাই মনোৰঞ্জন দিবৰ বাবেই তাৰ এই দীঘলীয়া যাত্ৰা।

এতিয়া সকলো ষ্টিকাৰ লগা গছ গজা ঠাইৰেই বাসিন্দা।



# কৃতজ্ঞতা

এই কিতাপখন অসমীয়ালৈ অনুবাদ কৰি প্ৰকাশ কৰিবলৈ অনুমতি দিয়াৰ বাবে ৰাষ্ট্ৰীয় জৈৱবৈচিত্ৰ্য কৰ্তৃপক্ষৰ লগতে পুনৰাই ছপা কৰি প্ৰকাশ কৰিবলৈ অনুমতি দিয়াৰ বাবে অসম ৰাজ্যিক জৈৱবৈচিত্ৰ্য পৰিষদৰ ওচৰত হিমালয় প্ৰকৃতি শিক্ষণ কেন্দ্ৰ, অসম কৃতজ্ঞ। লগতে এই কিতাপখন প্ৰকাশৰ বাবে প্ৰয়োজনীয় সকলোখিনি পুঁজিৰ যোগান ধৰাৰ বাবে ৰাষ্ট্ৰীয় হিমালয় অধ্যয়ন অভিযানৰ কৰ্তৃপক্ষৰ ওচৰত হিমালয় প্ৰকৃতি শিক্ষণ কেন্দ্ৰ, অসম কৃতজ্ঞ।

এই সাধুকথাৰ কিতাপখন অসমীয়ালৈ অনুবাদ কৰাৰ দায়িত্ব গ্ৰহণ কৰি সেয়া সুচাৰুৰূপে পালন কৰাৰ বাবে পৰিষদৰ তৰফৰ পৰা ড° মৃণাল জ্যোতি গোস্বামীদেৱলৈয়ো আন্তৰিক ধন্যবাদ জ্ঞাপন কৰা হ'ল। অসমীয়া ছায়ানুবাদটি এবাৰ চকু ফুৰাই চাই দিয়াৰ বাবে আমাৰ ফালৰ পৰা শ্ৰীযুত পি. কাকতি, আই. এফ. এচ. (অৱসৰপ্ৰাপ্ত) দেৱলৈও আন্তৰিক ধন্যবাদ থাকিল।






# এন. বি. এ.ৰ বিষয়ে

'ভাৰতৰ জৈৱবৈচিত্ৰ্য আইন, ২০০২' (India's Biological Diversity Act, 2002) খন কাৰ্যকৰী কৰিবৰ বাবে ২০০৩ চনত 'ৰাষ্ট্ৰীয় জৈৱবিচিত্ৰ্য কৰ্তৃপক্ষ' (National Biodiversity Authority-NBA) গঠন কৰা হয়। এন. বি. এ. এক সংবিধিবদ্ধ স্বাধীন সংস্থা। ই ভাৰত চৰকাৰক জৈৱিক-সম্পদৰ সংৰক্ষণ আৰু উৎপাদনক্ষম ব্যৱহাৰ ক্ষেত্ৰত সাৱলীলভাৱে কাম কৰি যোৱাত সহায়-সহযোগিতা আগবঢ়ায়। লগতে সেইবোৰৰ ব্যৱহাৰ নিয়ন্ত্ৰণ কৰাৰ ক্ষেত্ৰত মন্ত্ৰণাদাতা হিচাপেও কাৰ্যনিৰ্বাহ কৰে। জৈৱিক-সম্পদৰ ব্যৱহাৰৰ পৰা লাভ কৰা সুফলখিনি ভাৰত চৰকাৰৰ লগত ন্যায়সংগত আৰু সমভাৱে ভাগ-বতোৱাৰ কৰে।

এন. বি. এ. ৰ সহযোগত বিকেন্দ্ৰীকৃত কৰ্মপন্থাৰে সমগ্ৰ দেশতে 'জৈৱবৈচিত্ৰ্য আইন, ২০০২' খন বাধ্যতাতামূলকভাৱে কাৰ্যকৰী কৰা হয়। এই সংস্থাই কেন্দ্ৰীয় চৰকাৰক জৈৱিক-সম্পদৰ সংৰক্ষণ আৰু এনে সম্পদৰ উৎপাদনক্ষম ব্যৱহাৰ কৰিবলৈ মন্ত্ৰণা দিয়াৰ লগতে তাৰ পৰা লাভ কৰা সুফলখিনি তেওঁলোকৰ লগত ন্যায়সংগত আৰু সমভাৱে ভাগ-বতোৱাৰ কৰে। ঠিক সেইদৰে ৰাজ্য চৰকাৰসমূহক জৈৱবিচিত্ৰ্যৰে সমৃদ্ধ অঞ্চলসমূহ চিনাক্ত কৰি আইনখন ৩৭ নং অনুচ্ছেদৰ ১ ম উপ অনুচ্ছেদৰ অধীনত ঐতিহ্যমণ্ডিত অঞ্চল হিচাপে ঘোষণা কৰাৰ পৰামৰ্শ প্ৰদান কৰে। তদুপৰি এনে ঐতিহ্যমণ্ডিত জৈৱবৈচিত্ৰ্যৰ অঞ্চলসমূহৰ সংৰক্ষণ আৰু উৎপাদনক্ষম ব্যৱস্থাপনাৰ ক্ষেত্ৰত কি ব্যৱস্থা ল'ব পাৰি সেই বিষয়েও দিহা আগবঢ়ায়।

ৰাজ্যিক  জৈৱবৈচিত্ৰ্য পৰিষদসমূহে (State Biodiversity Boards- SBBs) মূলতঃ কেন্দ্ৰীয় চৰকাৰে প্ৰেৰণ কৰা নীতি-নিৰ্দেশনাৰ আধাৰত ৰাজ্য চৰকাৰসমূহ জৈৱিক-সম্পদৰ সংৰক্ষণ আৰু উৎপাদনক্ষম  ব্যৱহাৰ ক্ষেত্ৰত সাৱলীল ৰূপত কাম কৰি যোৱাত সহযোগিতা আগবঢ়ায়। লগতে সেইবোৰৰ ব্যৱহাৰ নিয়ন্ত্ৰণ কৰাৰ ক্ষেত্ৰত মন্ত্ৰণাদাতা হিচাপেও কাৰ্যনিৰ্বাহ কৰে। জৈৱিক-সম্পদৰ ব্যৱহাৰৰ পৰা লাভ কৰা সুফলখিনি এওঁলোকৰ লগত ন্যায়সংগত আৰু সমভাৱে ভাগ-বতোৱাৰ কৰে। কোনো ভাৰতীয় নাগৰিকে যিকোনো জৈৱিক-সম্পদৰ বাণিজ্যিক ব্যৱহাৰ বা জৈৱ-জৰীপ আৰু জৈৱ-উৎপাদনৰ সদ্ব্যৱহাৰ কৰিবৰ বিচাৰিলে তেনে আবেদন ৰাজ্যিক জৈৱবিচিত্ৰ্য পৰিষদসমূহে  বিবেচনা কৰে।

স্থানীয় পৰ্যায়ৰ জৈৱবৈচিত্ৰ্য ব্যৱস্থাপনা সমিতিসমূহে (Biodiversity Management Committees- BMCs) জৈৱিক-সম্পদৰ সংৰক্ষণ আৰু তাৰ উৎপাদনক্ষম ব্যৱহাৰৰ দিশবোৰ চোৱাচিতা কৰাৰ লগতে তাৰ বিভিন্ন তথ্য সংৰক্ষণ কৰে। সমিতিসমূহে জৈৱবৈচিত্ৰ্যত থকা বিভিন্ন আবাসভূমি, আদিম কাল্টিভাৰ, থলুৱা প্ৰজাতিৰ প্ৰাণী, বিভিন্ন ঘৰচীয়া প্ৰজাতিৰ পশুধন তথা সেই অঞ্চলত পোৱা বিভিন্ন অনুজীৱৰ সংৰক্ষণ আৰু সেইবোৰৰ বিষয়ে প্ৰাপ্ত তথ্যৰ ধাৰাবাহিক বিৱৰণ লিপিবদ্ধ কৰি ৰাখে।

এন. বি. এ. ৰ প্ৰধান কাৰ্যালয় তামিলনাডুৰ চেন্নাইত অৱস্থিত। তলত উল্লেখ কৰাৰ দৰে গাঁথনিৰ বিন্যাসৰে ইয়াৰ কৰ্মপন্থা সুচৰুৰূপে চলাই নিয়া হয় --- কৰ্তৃপক্ষ, সচিবালয়, ৰাজ্যিক জৈৱবৈচিত্ৰ্য পৰিষদসমূহ, জৈৱবৈচিত্ৰ্য ব্যৱস্থাপনা সমিতিসমূহ আৰু বিষয় বিশেষজ্ঞৰ সমিতি।

এন. বি. এ. স্থাপন কৰাৰ পাছৰে পৰা বৰ্তমানলৈকে ই ২৮ খন ৰাজ্যৰ ৰাজ্যিক জৈৱবৈচিত্ৰ্য পৰিষদসমূহক ৩২, ২২১ খন জৈৱবৈচিত্ৰ্য পৰিচালনা সমিতি গঠন কৰাত সহায়-সহযোগিতা আগবঢ়াইছে।

# অসম ৰাজ্যিক জৈৱবৈচিত্ৰ্য পৰিষদ

অসম ৰাজ্যিক জৈৱবৈচিত্ৰ্য পৰিষদে অসমৰ জৈৱবৈচিত্ৰ্যৰ সংৰক্ষণ আৰু উৎপাদনক্ষম ব্যৱহাৰৰ দিশটো চোৱাচিতা কৰে। এই পৰিষদে অসমৰ জৈৱিক-সম্পদৰ বাণিজ্যিক ব্যৱহাৰৰ পৰা আহৰিত লাভাংশ ইয়াৰ স্থানীয় ৰাইজৰ লগত ন্যায়সংগত আৰু সমভাৱে ভাগ-বতোৱাৰ কৰে।

অসম জৈৱবৈচিত্ৰ্য অধিনিয়মখন কাৰ্যকৰী কৰিবৰ বাবে ২০১০ চনত অসম ৰাজ্যিক জৈৱবৈচিত্ৰ্য পৰিষদ গঠন কৰা হয়। পৰিষদে বিভিন্ন পঞ্চায়তত 'জৈৱবৈচিত্ৰ্য ব্যৱস্থাপনা সমিতি' স্থাপন কৰি তাত থকা স্থানীয় জৈৱিক-সম্পদসমূহৰ তথ্যসংগ্ৰহ কৰি সেই তথ্যৰ ধাৰাবাহিক বিৱৰণ' লোক জৈৱবৈচিত্ৰ্য পঞ্জীয়ন পুস্তক' (Peoples Biodiversity Registers-PBRs)ত লিপিবদ্ধ কৰি ৰাখে। এনেদৰে জনসাধাৰণেই হৈ পৰে তেওঁলোকৰ জৈৱিক-সম্পদসমূহৰ বিধিসন্মত বা আইনসংগত অধিকাৰী আৰু তেওঁলোকৰ হাততেই সেই অঞ্চলৰ জৈৱিক-সম্পদৰ উৎপাদনক্ষম ব্যৱহাৰৰ অধিকাৰ অৰ্পণ কৰা থাকে।

পৰিষদে বৰ্তমানলৈকে ১১০ খন জৈনবৈচিত্ৰ্য ব্যৱস্থাপনা সমিতি গঠন কৰিছে আৰু সম্প্ৰতি তেওঁলোকৰ দ্বাৰা লোক জৈৱবৈচিত্ৰ্য পঞ্জীয়ন পুস্তক প্ৰস্তুতিৰ কামো চলাই থকা হৈছে। বিভিন্ন পৰ্যায়ৰ সক্ষমতাৰ অংশীদাৰসকলৰ মাজত তেওঁলোকৰ দায়িত্ব আৰু ভূমিকা সম্পৰ্কে সজাগতা সৃষ্টি কৰিবলৈ যত্ন কৰাতো এই পৰিষদখনৰ প্ৰধান কৰ্তব্য। এই বাবে ভিন ভিন পৰ্যায়ত বিভিন্ন ধৰণৰ কৰ্মশালাৰ আয়োজন কৰি থকা হৈছে।

আশা কৰোঁ বিভিন্ন পৰ্যায়ৰ সক্ষমতাৰ অংশীদাৰসকলৰ সহযোগত অসমত "এক প্ৰাচুৰ্যময়, সুৰক্ষিত আৰু অৰ্থনৈতিকভাৱে লাভদায়ক জৈৱবৈচিত্ৰ্যৰ স্থিতি" (bountiful, secured and economically rewarding biological diversity) গঠন কৰাৰ আমাৰ লক্ষ্য নিশ্চয় ফলপ্ৰসূ হ'ব।

# এই প্ৰকল্পৰ বিষয়ে এফাঁকি

UNEP-GEE-MoEF-এ হাতত লোৱা 'অভিগমন আৰু সুফলৰ ভাগ-বতোৱাৰ' (Access and Benefit Sharing-ABS) প্ৰকল্পৰ মূল উদ্দেশ্য হৈছে বিভিন্ন পৰ্যায়ৰ প্ৰতিষ্ঠান, ব্যক্তিগত পৰ্যায় আৰু প্ৰণালীবদ্ধ সক্ষমতাৰ অংশীদাৰসকলৰ সহযোগত 'ভাৰতৰ জৈৱবৈচিত্ৰ্য আইন, ২০০২' আৰু অধিনিয়ম ২০০৪'ৰ ফলপ্ৰসূভাৱে কাৰ্যকৰী কৰা। লগতে ভাৰতৰ সৈতে হোৱা এ. বি. এচ. চুক্তিৰ কাৰ্যকৰীকৰণেও জৈৱবৈচিত্ৰ্যৰ সংৰক্ষণত গুৰুত্ব প্ৰদান কৰা।

এই প্ৰকল্প এতিয়ালৈকে ভাৰতৰ ৫ খন ৰাজ্যত কাৰ্যকৰী কৰা হৈছে। সেইকেইখন ৰাজ্য হ'ল --- অন্ধ্ৰ প্ৰদেশ, গুজৰাট, পশ্চিম বংগ, হিমাচল প্ৰদেশ আৰু চিকিম। এই ক্ষেত্ৰত এন. বি. এ. ৰ লগত সহযোগী সংস্থা হিচাপে আছে ---- ৫ খন ৰাজ্যিক জীৱবৈচিত্ৰ্য পৰিষদ, বটানিকেল চাৰ্ভে অৱ ইণ্ডিয়া (BSI) , জুলজিকেল চাৰ্ভে অৱ ইণ্ডিয়া (ZSI), ইউনাইটেড নেচনচ ডেভলপমেন্ট প্ৰগ্ৰেম (UNDP), ইউনাইটেড নেচনচ এনভাইৰমেন্ট প্ৰগ্ৰেম---ডিভিজন অৱ এনভাইৰমেন্ট ল' এণ্ড কনভেনচন (UNEP-DELC), ইউনাইটেড নেচনচ ইউনিভাৰচিটি---ইন্সিটিটিউট অৱ এডভান্স ষ্টাডিজ (UNU-IAS) আৰু গ্ৰেল এনভাইৰমেন্ট ফেচিলিটি (GEF) আদি। এই প্ৰকল্পৰ মূল উপাদানসমূহ হ'ল ----

- এ. বি. এচ. চুক্তিৰ বাবে সম্ভাব্য জৈৱবৈচিত্ৰ্যসমূহ চিনাক্তকৰণ আৰু সেই অঞ্চলৰ অৰণ্য, কৃষি আৰু জলাশয় আদিৰ দৰে নিৰ্বাচিত পৰিস্থিতিতন্ত্ৰৰ আধাৰত তাৰ মূল্যায়ন।
- জৈৱবৈচিত্ৰ্য আইনখনত থকা এ. বি. এচ. চৰ্তসমূহ কাৰ্যকৰী কৰিবৰ বাবে প্ৰয়োজনীয় সাধনোপায়, পদ্ধতি, নীতি-নিৰ্দেশনা আৰু তাৰ খচৰা প্ৰস্তুত।
- এ. বি. এচ. ৰ চুক্তিসমূহ কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত কাণ্ডাৰী হিচাপে কাম কৰা।
- ৰাষ্ট্ৰীয় পৰ্যায়ত এ. বি. এচ. ৰ চৰ্তসমূহৰ লগত সম্পৰ্কীয় নীতি-নিৰ্দেশনাবোৰ কাৰ্যকৰী কৰা আৰু তাৰ জৰিয়তে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত সম্পাদন হোৱা এ. বি. এচ. নীতিৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়োৱা।
- সক্ষমতা সংবধনৰ বাবে জৈৱবৈচিত্ৰ্য আইনখনত থকা এ. বি. এচ. চৰ্তসমূহ প্ৰগাঢ়ভাৱে কাৰ্যকৰী কৰা।
- জনসাধাৰণৰ মাজত সজাগতা বৃদ্ধিৰ বাবে সচেতনতা আৰু শৈক্ষিক কাৰ্যক্ৰমণিকা হাতত লোৱা।

জৈৱবৈচিত্ৰ্য সম্পৰ্কে তথ্য সৰবৰাহ কৰিবলৈ হাতত লোৱা সৃষ্টিশীল তথ্য সৰবৰাহ সাধনোপায় প্ৰকল্পৰ অংশ হিচাপে এই সাধুকথাৰ কিতাপখন লিখি উলিওৱা হৈছে। মূলতঃ ভাৰতবৰ্ষৰ নগৰ অঞ্চলত জৈৱবৈচিত্ৰ্যৰ গুৰুত্ব সম্পৰ্কে তথ্য সৰবাৰহ কৰিবলৈকে এই প্ৰকল্প হাতত লোৱা হৈছে। সৃষ্টি স্কুল অব আৰ্ট, ডিজাইন আৰু টেকনলজিৰ “ল’ + এনভাইৰমেণ্ট + ডিজাইন লেবট্যাৰি (এল. ই. ডি লেবট্যাৰি)”ত এই কিতাপখন ইংৰাজী সংস্কৰণৰ সামগ্ৰিক বিন্যাস কৰা হৈছিল। ২০১২ চনত স্থাপন কৰা এল. ই. ডি. লেবট্যাৰি হ’ল এক ধৰণৰ সহযোগিতামূলক গৱেষণাগাৰ। মূলতঃ বৰ্তমান সময়ত প্ৰচলিত আইনগত, পৰিৱেশগত, আৰ্থ-সামাজিক আৰু সাংস্কৃতিক সংৰচনাক অস্বীকাৰ কৰি এক নতুন ধৰণৰ সৃষ্টিশীল তথা আন্তঃবিষয়ক চিন্তাৰে বৃহত্তৰ সামাজিক-পৰিৱেশতান্ত্ৰিক স্থিতিস্থাপকতা বজাই ৰখা এখন নতুন সমাজ সৃষ্টি কৰাৰ মূলমন্ত্ৰেৰে ইয়াক স্থাপন কৰা হৈছে।